চান্দমামা

মে' ১৯৯৪



উৰি গ'ল পাখি মেলি কৈ গ'ল কি ? উৰণৰ আঁতলে শক্তি দিয়ে যি

পাৰ্লে-জি

সোৱাদ ভৰা, শক্তি ভৰা।

ভাৰতৰ সৰ্ব্বাধিক বিক্ৰী হোৱা বিস্কুট।

everest/93/PP/172-as

Mudra:EAMR:7260

শ্ৰী গৌতম গোস্বামী
৮/৫/১৯৮৪

চান্দমামা

মে' ১৯৮৪

এই সংখ্যাত আছে

অভিজ্ঞতাৰ কষটিশিল	:	৭
ছিংগাপুৰৰ সহযোগ	:	৯
ভয়ংকৰ সাগৰ	:	১১
অভিশপ্ত পুষ্প	:	১৭
প্ৰেম	:	২৫
যাক বোলে জনম	:	৩১
চান্দমামা-ক্ৰোড়পত্ৰ	:	৩৩
জীৱন-সত্য	:	৩৭
মিঠাকথাৰ গুৰি-কথা	:	৪২
বীৰ হনুমান	:	৪৫
বক্ৰ	:	৫৩
বিসমবাদৰ ঝলক :	:	৫৮
বাপুৰ গাত বাঢ়নী	:	৫৯
বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য	:	৬৩

আৰু

ফটো প্ৰতিযোগিতাৰ পুৰস্কাৰ ৬৫

"मेरि"
दुनिया भर की नारियों को, 31 से अधिक सालों से मनमोहक, खूबसूरत और मजबूत स्वर्णपट्टित ज़ेवरों से सँवार रहे हैं।

मेरि अब पेश करते हैं चकाचौंध करने वाले रंगबिरंगे और उत्तम डिज़ाइन के ज़ेवर, जो शुद्ध चाँदी पर सोने का पानी चढ़ा कर और अमरीकी हीरो (A.D) से जड़ा कर बनाये गये हैं।

ज़ेवर वी.पी.पी. द्वारा मँगाये जा सकते हैं। हमें ज़ेवर की संख्या का उल्लेख देते हुये लिखिये। मंदिर की मूर्तियो और भरत नाट्यम के लिए ज़ेवर बनाना हमारी विशेषता है। मुफ्त रंगीन सूचापत्र के लिये लिखिये। कृपया पत्रव्यवहार हिन्दी या अंगरेज़ी में ही करिये।



MERI GOLD COVERING WORKS
P.O. Box 1405, 18, Ranganathan Street, T. Nagar,
Madras 600 017, Phone: 444671, 442513

চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

অভিজ্ঞতাৰ কষটিশিল

এই বছৰৰ মে' মাহৰ ২৪ তাৰিখ হ'ল বুদ্ধ পূৰ্ণিমা। জনশ্ৰুতি, ৰাজকোঁৱৰ সিদ্ধাৰ্থ এক পূৰ্ণিমাৰ দিনা জন্মগ্ৰহণ কৰিছিল (৫৬৭ খৃষ্ট-পূৰ্বাব্দত. অন্য মতানুযায়ী ৫৬৩ খৃষ্ট-পূৰ্বাব্দত)। ঘটনাটো হয়তো কাকতালীয়, তথাপি উল্লেখনীয়, ৰাজকোঁৱৰ সিদ্ধাৰ্থই 'বোধি' অৰ্থাৎ জ্ঞান লাভ কৰি 'বুদ্ধত্ব'ও প্ৰাপ্ত হৈছিল চল্লিছ বছৰৰ পাছত আন এক পূৰ্ণিমাৰ দিনা আৰু তাৰো চল্লিছ বছৰৰ অন্তত আন এক পূৰ্ণিমাত লাভ কৰিছিল—'নিৰ্বাণ'।

ৰাজপৰিয়ালত জনমিও ৰাজকোঁৱৰ সিদ্ধাৰ্থ কিয় যে মানুহৰ দুঃখ-গ্লানিময় জীৱনৰ হেতু বিচাৰি বোধিবৃক্ষৰ তলত তপস্যা কৰিছিল, সেই কাহিনী সৰ্বজনবিদিত।

শিষ্য-সকললৈ তেওঁৰ অন্যতম উপদেশ আছিল : 'কোনোবাই কিবা ক'লেই তাক স্বতঃসিদ্ধ বুলি গ্ৰহণ নকৰিবা ; ঐতিহ্যগত বুলিও একো নিৰ্দ্বিধাই মানি নল'বা : গ্ৰন্থৰ বক্তব্যও তাৰ মুদ্ৰিত মূল্যেৰে নল'বা, বা তোমাৰ শিক্ষাগুৰুৱে ক'লে বুলিয়েই মানি নল'বা। সকলো যুক্তিৰ কাষটিশিলত ঘঁহি চাবা, তেহে ল'বা'।

বুদ্ধ কিমান যে বাস্তৱবাদী আছিল! অনুসন্ধিৎসা অতি আৱশ্যকীয় কথা। দেখা-কথা, শুনা-কথা, পঢ়া-কথা—সকলো অভিজ্ঞতাৰ তথা যুক্তিৰ কষটিশিলত পৰীক্ষা কৰিহে গ্ৰহণ কৰিব লাগিব. পৰিত্যাজ্যখিনি পৰিত্যাগ কৰিব লাগিব, গ্ৰহণীয়খিনি গ্ৰহণ। গ্ৰহণীয় সকলো বস্তু নিখুঁত-নিৰ্ভেজাল হোৱা আৱশ্যক। অভিজ্ঞতাৰ কষটিশিলত আত্ম-সমীক্ষাও কৰা আৱশ্যক।

বছৰ : ১৯   মে' ১৯৯৪   সংখ্যা : ২

খনে ৪'০০ টকা :: বছৰেকীয়া বৰঙনি ৪৮'০০ টকা



Now Writing is a pleasure

with LION Novelty

Introducing the winning edge

NEW RANGE OF FANCY PENCILS.

Lion's **Novelty** *Pencils have* **Mythologies** *from the* **Ramayan, Mahabharat** *and* **Shri Krishna Leela** *in colourful pictures. Making it interesting and easier for children to understand ethics.*



Decorative pencils with **Birthday** *Greeting messages,* **Rainbow** *colours and* **Alphabets** *are a silent language of love.*

Pencils with action-packed pictures of the **Turtles, Hi.... Cat** *and* **Ping Pong** *brim* **'YOUNG SMARTIES'** *with overpowering confidence.*



LION
PINKY
PENCILS

Pinky, *the charming beauty garbed in floral attire is all ready to allure every young boy and girl in town. She has claimed 'The Beauty And The Brain Pencil' title already.*



Manufactured by
LION PENCILS LTD.,
MARKETING DIVISION
95, PARIJAT, MARINE DRIVE, BOMBAY-400 002. TEL: 296856, 2089926

National-960

পৃথিৱীৰ খিৰিকীৰে ঃ

ছিংগাপুৰৰ সহযোগ

পাৰ্ক বা উদ্যানৰ কথা নতুনকৈ বিশেষ ক'ব-লগীয়া নাই। যদিও, সম্প্ৰহতে, এই টেকন'-লজিৰ যুগত পাৰ্কৰ বিষয়েও নতুন টেকন'লজিৰ আবিৰ্ভাৱ হৈছে আৰু এই নৱ-পাৰ্কীয় টেকন'লজিৰ প্ৰয়োগৰ প্ৰচেষ্টা চলিছে আমাৰ বেংলুৰুত বা বাংগালোৰত। বাংগালোৰ হ'ল কাৰ্নাটাকা বা কৰ্নাটক ৰাজ্যৰ ৰাজধানী। ইয়াত এক অভিনৱ পাৰ্ক স্থাপনৰ উদ্যোগ—বিগত জানুৱাৰিৰ ২৮ তাৰিখে বাংগালোৰৰপৰা ১৮ মাইল দূৰৰ হোৱাইট ফিল্ড নামৰ ঠাইত ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী শ্ৰীগোহ্ চোক্ টং মহোদয়ৰ দ্বাৰা অনুষ্ঠিত হৈছে।

পাৰ্কৰ বিষয়ে বহলাই কোৱাৰ আগতে ছিংগাপুৰলৈ উভতি চোৱা যাওক, যি ছিংগাপুৰ হ'ল আমাৰ শুভাৰ্থী বন্ধু। দ্বিতীয় বিশ্বযুদ্ধৰ আগতে (১৯৩৯-৪৫) ভাৰতৰপৰা ভালেমান মানুহ-মুনিহ মালয়ান স্টেটলৈ বা সংক্ষিপ্তভাবে FMS-লৈ জীৱিকা বিচাৰি গৈছিল। তেতিয়াৰ দিনত মালয়লৈ যাওঁতে পাৰপত্ৰ অৰ্থাৎ পাছপোৰ্ট বা তেনেজাতীয় একোৰেই নালাগিছিল। যেই-কোনো মানুহেই মাদ্ৰাজ বা তুতিকোৰিন বন্দৰলৈ গৈ ছিংগাপুৰলৈ টিকেট এখন লৈ জাহাজত উঠি দিলেই—বছৰ—একেচোঁচাই পালেগৈ ছিংগাপুৰ। আৰু এইদৰেই, ভাৰতীয়ৰ কাৰণে, মালয়দেশ হৈ উঠিছিল দ্বিতীয় স্বদেশ।

ইতিহাসে আমাক কয় যে—এই ছিংগাপুৰ বা সিংহপুৰ (তামিল ভাষাত সিংহ = সিংগম) দক্ষিণ চীন-সাগৰৰ দুৱাৰ-মুখত অৱস্থিত। ছিংগাপুৰৰ মালয়ী নাম হ'ল টেমাজেক, যাৰ অৰ্থ হ'ল—সাগৰ-জনপদ। ইয়াতো, ভাৰতৰ দৰেই, স্যাৰ স্ট্যামফৰ্ড ৰ‍্যাটেলছৰ নেতৃত্বত, ১৮১৯ চনত সেই ইস্ট ইণ্ডিয়া কম্প্যানিয়ে ইয়াতো বেহা-বেপাৰ কৰাৰ বাবে অনুমতি লৈছিল আৰু অনুমতি পায়েই দোপে দোপে ছিংগাপুৰক উন্নত কৰি তুলিছিল।

আৰু এইদৰেই, ১৮৫৮ চনৰপৰা, এদিন বেপাৰীয়ে ছিংগাপুৰক বৃটিছ ৰজাৰ

হাতত সঁপি দিছিল, ছিংগাপুৰ হৈ উঠিছিল বৃটিছৰ প্ৰত্যক্ষ উপনিবেশ। এসময়ৰ সামান্য সাগৰপৰীয়া গাঁও এখন হৈ উঠিছিল অতি সমৃদ্ধতৰ নগৰ, হৈ উঠিছিল বৃটিছৰ অপৰাজেয় নৌশক্তিৰ অন্যতম ঘাটি, দক্ষিণ-পূৰ্ব এছিয়াৰ পৃথিৱী-বিখ্যাত ঐশ্বৰ্য্যময়ী সমৃদ্ধ ঠাই।

দ্বিতীয় বিশ্বযুদ্ধৰ কালছোৱাত অতি সামান্য দিনৰ বাবে ছিংগাপুৰক জাপানে দখল কৰিছিল। তেতিয়া ছিংগাপুৰত নেতাজী সুভাষচন্দ্ৰ বসুৱে আজাদ হিন্দ ফৌজ-অৰ প্ৰতিষ্ঠা কৰিছিল। বিশ্বযুদ্ধৰ অন্তত ছিংগাপুৰে স্বাধীনতা ঘোষণা কৰিছিল আৰু শ্ৰী লি কুআন ইয়'ৰ প্ৰধানমন্ত্ৰীত্বত ১৯৫৯ চনত স্বাধীন চৰকাৰ গঠন কৰিছিল। পাছত শ্ৰী লি কুআন ইয় ৰাষ্ট্ৰপতি হ'ল আৰু তেওঁৰ নেতৃত্বত ছিংগাপুৰ হৈ উঠিল পৃথিৱীৰ এক সফল সমৃদ্ধ উৎকৰ্ষতাৰ প্ৰতীক। ১৯৯০ চনত বৰ্তমান প্ৰধানমন্ত্ৰী শ্ৰী গোহ্ চোক্ টঙে ক্ষমতা গ্ৰহণ কৰিছিল।

১৯৯২ চনত ইন্দোনে'জিয়াৰ জাকৰ্তাত অনুষ্ঠিত NAM-সন্মিলনৰ কালছোৱাত আমাৰ বৰ্তমান প্ৰধানমন্ত্ৰী পি. ভি. নৰসিংহ ৰাওৰ সৈতে শ্ৰীগোহ্ চোক্ টঙৰ আলোচনা হৈছিল 'পাৰ্ক' টেকন'লজিৰ বিষয়ে। তাৰপাছতেই শ্ৰীটঙে ছিংগাপুৰৰ ছখন প্ৰতিষ্ঠানক সন্মত কৰালে এছিয়াৰ কিছু কিছু অঞ্চলত 'বাণিজ্যিক পাৰ্ক' স্থাপনত। এইবোৰৰ এখন 'বাণিজ্যিক পাৰ্ক' স্থাপিত হ'ব ভাৰতৰ বাংগালোৰত, ৰাজ্যিক চৰকাৰ আৰু টাটা ইণ্ডাষ্ট্ৰিজৰ সহযোগত।

এই পাৰ্ক প্ৰতিষ্ঠাৰ বাবে কাৰ্নাটকা চৰকাৰে ২৪ হেক্টৰ মাটি দিলে, যাৰ মূল্য হ'ব আনুমানিক ৫০০ কোটি টকা। এই পাৰ্কত বিভিন্ন গৱেষণাগাৰ, প্ৰদৰ্শনী-গৃহ, প্ৰশিক্ষণ-ছেণ্টাৰ, লঘু উদ্যোগমূলক কাৰখানা, বিভিন্ন বাণিজ্যিক প্ৰতিষ্ঠান আদিৰ উপৰিও সাধাৰণ বসবাসৰ এলেকা আৰু আমোদ-প্ৰমোদৰ ঠাই ইত্যাদি, কমপিউটাৰ-প্ৰশিক্ষণৰ অতি উচ্চ বন্দৰস্ত, প্ৰোফেশ্যনাল ম্যানিজমেণ্ট আৰু অন্যান্য প্ৰশিক্ষণৰো ব্যৱস্থা-বন্দৰস্ত থাকিব। এই পাৰ্কত কমেও ২০,০০০ মানুহে চাকৰি পাব। এই চাকৰিয়ালহঁতৰ বেছিভাগেই হ'ব ইলেকট্ৰনিক এনজিনিয়াৰ, কমপিউটাৰ জনা মানুহ আৰু টেলি-কমিউনিকেশ্যনৰ মানুহ।

এনেহেন অভিনৱ আঁচনিয়ে — অভাৰিত ধৰণৰ পাৰ্ক-প্ৰজেক্টে আমাৰ দেশৰপৰা ব্ৰে'ন-'ড্ৰে'ন' বন্ধ কৰিব বুলি আমি আশা কৰিম।

ভংয়কৰ সাগৰ

গাঁৱৰ নাম নৰদ্বীপ। যদিও নৰদ্বীপত এটাও দ্বীপ নাই, তথাপি গাঁওখন নৈ এখনৰ পাৰতে। নৰেন এই গাঁৱৰে এজন খ্যাতনামা সাঁতোৰ জনা যুৱক। সাঁতোৰত নৰেনৰ কাষ চাপিব পৰা ইয়াত আৰু কোনো-কেও নাই।

নীলাও এইখন গাঁৱৰে ছোৱালী। নীলাৰ মাক-দেউতাক প্ৰায় একেলগেই ঢুকাল। তেতিয়া নীলা নিচেই সৰুজনী। নীলাহঁতৰ ঘৰৰ অৱস্থা ভালেই আছিল, কিন্তু নীলাক চাওঁতা-চিং-তোতাহে কোনো নাছিল। সেইহে—চুবুৰীয়া গাঁৱত থকা গিয়াতি-সম্পৰ্কত মোমায়েক ধৰ্মদাসক এসময়ত নীলাই তাইৰ অভিভাৱক হিচাপে ল'বলগীয়া হৈছিল আৰু ধৰ্মদাসেই মৰমতে নিজৰ গাঁও—গাঁৱৰ ঘৰ-দুৱাৰ এৰি থৈ এই ঘৰলৈ গুচি আহিছিল।

এই গিয়াতি-মামাকৰ একমাত্ৰ সন্তানটিও নীলাজনীৰ লগে লগে ইয়াতে ডাঙৰ হৈ উঠিল। সন্তানটি ধৰ্মদাসৰ পুত্ৰসন্তান, নাম তাৰ নৰদাস। নৰদাসৰ বৰ মন নীলালৈ। নীলাক সি বিয়া কৰাব। কিন্তু নীলাৰহে মন-কাণ নাই।

নীলাই তাইৰ মামীয়েকৰ স্বভাৱ-চৰিত্ৰৰ কথা নজনা নহয়। মামীয়েক যে নীলাহঁতৰ ঘৰৰপৰা ইটো সিটো বহুতো সৰকাইছে, চুবুৰীয়া গাঁৱত থকা নিজৰ ঘৰলৈ চালান কৰিছে, জানে তাই। কিন্তু এই কেপ-কৰাহঁতক একো ক'বও নোৱাৰে তাই, কিয়নো—যোৱা বাৰ বছৰ ধৰি সিহঁত ইয়াতে আছে, আৰু গঞাই সিহঁতক বৰ ভাল মানুহ বুলিও জানিছে।

'নবকুমাৰ'



পোনাৰ তথা মেৰামতি কৰিব পাৰিব।

নীলাই নৰেনক সৰুৰেপৰাই দেখি আহিছে। তাইৰ দৃঢ় বিশ্বাস, নৰেনেই তাইক তাইৰ এই বহি-খোৰা ফুকন মোমায়েকৰ কবলৰপৰা তথা ভেনা-মাখি নৰদাসটোৰ ভেনভেনিৰপৰা বচাব পাৰিব। গতিকে—এদিন তাই নৰেনক সকলো কথা ক'লেগৈ। লগতে তাই—নৰেনক বিয়া কৰাব বুলিও লাজ লাজকৈ কৈয়েই পেলালে।

ভাবি ভাবি নৰেন গ'ল তাৰ সাঁতোৰৰ শিক্ষাগুৰু প্ৰবীণৰ ওচৰলৈ। নৰেনৰপৰা সকলো কথা শুনাৰ অন্তত প্ৰবীণে নৰেনক দিহা দিলে ৰংপুৰ গাঁৱৰ সাগৰৰ ওচৰলৈ যাবলৈ। ৰংপুৰৰ সাগৰেই হেনো নৰেনক ভালবো ভাল সাঁতোৰ শিকাব পাৰিব।

গুৰুৰ কথাত গ'ল নৰেন ৰংপুৰলৈ. কিন্তু সাগৰ তেতিয়া ঘৰত নাছিল। সাগৰৰ দেউতাকৰ বেমাৰ, সেইহে বেজক মাতি আনিবলৈ, বা দৰব লৈ আহিবলৈ চুবুৰীয়া গাঁৱলৈ গৈছিল।

নৰেনে সাগৰৰ মাকক ক'লে, "কিন্তু তেওঁক সোনকালে লগ পাব লাগিছিল—"

"এ—" সাগৰৰ মাকে ক'লে, "তোমাক লগাতকৈও সোনকালে সিহে আহি পাবহি লাগে। কিয়নো—আমাৰ নাতিনীজনীক

এতিয়া নীলাজনী সোতৰ বছৰীয়া। মোমায়েকক এতিয়া তাই গুচি যাবলৈ কয় যদি—গাঁৱৰ মানুহে তাইকহে নিন্দিব। গাঁৱৰ মানুহে বাহিৰা ৰং-চংহে দেখে, ভিতৰৰ কোৱাভাতুৰীৰ খবৰ নলয়। কিন্তু—মোমায়েক-মামীয়েকৰ অত্যাচাৰত তাই অতিষ্ঠ। বিশেষকৈ নৰদাসৰ কেওমেও একেবাৰে অসহ্য। কেঁকোৰা খুটাক বাৱ মুখেহে লগাব লাগে। কিন্তু—উপায়?

ভাবি ভাবি তাই উপায় এটি চিন্তিলে। তাই এনেকুৱা কোনোবা এজনক বিয়া কৰাব, যিজনে এই বোৰক ভালকৈ

দৰাঘৰৰপৰা চাবলৈ আহিব।”

“কি কয়!” নৰেনে কৈ উঠিল, “ঘৰত বেমাৰী, এনে সময়ত এইবোৰ কাম—?”

নৰেন বাহিৰলৈ ওলাই আহিল আৰু ঠিক তেতিয়াই—সাগৰ নহয়—আন এজন মানুহ তালৈ আহিল। মানুহজনে নৰেনৰ মুখলৈ চাই ক'লে, “ওহোঁ, তোমাক মই আগে কোনোদিনে ইয়াত দেখা নাই। তুমিনো কোন—?”

নৰেনে মানুহজনৰ প্ৰশ্নৰ উত্তৰ নৌ দিওঁতেই মানুহজনে পুনৰ কৈ উঠিল, “তুমি কিবা—মহাজন-টহাজননে কি? যদি সাগৰক টকা ধাৰলৈ দিছা—মৰিছা। এই জীৱনত আৰু—নোপোৱা।” এই বুলি কৈ, মানুহজন ঘৰৰ ভিতৰলৈ সোমাই গ'ল।

এই মানুহজনৰ কথা শুনি নৰেনৰ ভুৰু কোঁচ খাই পৰিল। তেনেহ'লে—গুৰু প্ৰবীণে—কিবা—জানি-বুজিয়েই এনেকুৱা বেয়া মানুহ এজনৰ ওচৰলৈ পঠালেনে বাৰু তাক?

ভাবি ভাবি গৈ গৈ দোকান এখনৰ সমুখত ৰ'লগৈ নৰেন। কথাই কথাই দোকানীজনক সাগৰক চিনি পায়নে কি বুলি সোধাত দোকানীয়ে নৰেনক ক'লে, “চিনি পাওঁ মানে—? হাড়ে-হিমজুৰে। গাঁৱৰ দোকানীয়ে গাঁৱৰে মানুহক মালবস্তু



নিদিলেও নহয়, ইপিনে—সাগৰৰ দৰে উঠনাখোৱাইঁতক বস্তু দিলে কি হয়—দেখিছাই মোৰ দোকানৰ আ-অৱস্থা: বোলোঁ—বেটাইঁত—তইঁতে যদি ঠিক মতে টকা নিদিয়—মই কি টকা বনাম?”

সেই ফালেদি গাঁৱৰ গাঁওবুঢ়াও গৈ আছিল, ৰ'ল, শুনিলে, আৰু ক'লে, “সাগৰৰ দৰে সাগৰক নগৰ নগৰক সাগৰ কৰি লোকক লালোডিডি কৰা মানুহ—ভাগ্যে গাঁৱত কমেই আছে বুলিহে আমিবোৰ কথমপি তিষ্ঠি আছোঁ।”

সাগৰৰ বিষয়ে এনেবোৰ কথা শুনি নৰেনে ভাবিলে: কিয় গুৰুৱে এনেহেন



মানুহ এজনৰ ওচৰলৈ পঠালে মোক ?

ভাবি ভাবি গৈ গৈ নৰেন গাঁৱৰ সীমা পাৰ হৈ গ'ল আৰু ঠিক তেতিয়াই চকুত পৰিল—মানুহ এজন তাৰ পিনেই বেগাই আহিব ধৰিছে।

কাষ চাপি আহি সেই মানুহজনে নৰেনক ক'লে, "ভাই, গাড়ীখন বেয়া হৈ গ'ল, আৰু ময়ো বৰ বিপদত পৰিলোঁ। গাড়ীখনত এজোপা বিশেষ গছৰ ঠাল এডাল আছে, যি ঠালেৰে মোৰ দেউতাৰ বেমাৰৰ চিকিৎসা কৰিব লাগিব। মোৰো ইমান যে কঁকালৰ বিষ উঠিছে—! ইয়াত তো কোনো মানুহ-দুনহো পাবলৈ নাই। গতিকে—এই ঠাল-ডাল আমাৰ ঘৰলৈ লৈ যোৱাত যদি দয়া কৰি সহায় কৰি দিয়ে—। এই গছৰ ঠাল মোৰ দেউতাৰ সঞ্জীৱনীৰ দৰে মহৌষধ।"

এওঁৱেই যে সাগৰ—সেই কথাত নৰেনৰ আৰু সন্দেহ নাথাকিল। নৰেনে সেই শুখন ঠালডাল কান্ধত উঠাই ল'লে। সেই ঠালডাল দেখাত বেছ ডাঙৰেই, কিন্তু ওজন প্ৰায় নায়েই। একেবাৰে লঘু।

যি কি নহওক, নৰেন আৰু সাগৰ গৈ থাকিল। এঠাইত ধোবা এজনক দেখা পাই সাগৰে ক'লে, "শুনা, কাইলৈ আমাৰ ঘৰলৈ দৰাঘৰৰপৰা আহিব—।"

ধোবাই নম্ৰভাৱে ক'লে, "জানো আমি। কালিলৈ ৰাতিপুৱাতেই কাপোৰ-খিনি পাব, চিন্তা নকৰিব। আপোনাৰ ঘৰৰ কাম মানে—আমাৰেই।"

অলপ পাছত সেই দোকানীজনে সাগৰৰ কুশল-মংগল সুধিলে আৰু ক'লে, "কালিলৈ বোলে আমাৰ ছোৱালীজনীক চাবলৈ আহিব—? বস্তুখিনি লৈ যাবলৈ কাৰোবাক পঠাব নে মই নিজেই থৈ আহিমগৈ—?"

সাগৰে হাঁহি মাৰি ক'লে, "মাল-বস্তুৰ কথা—যি কৰা তুমিয়েই কৰিবা, কিন্তু পা-পৰিয়ালে আমাৰ তালৈ যাবলৈ

কিন্তু নিশ্চয় নাপাহৰিবা।"

বাটত গাঁওবুঢ়াৰ লগতো দেখাদেখি। গাঁওবুঢ়াই সাগৰক বৰ মিঠা মাতেৰে সুধিলে, "কাইলে' বোলে ছোৱালীজনীক চাবলৈ' আহিব। শুনা, বিয়া বোলা কথা, হেজাৰ মিছা মাতিলেহে এখন বিয়া হয়। কথাটো মনত ৰাখি যি কৰা কৰিবা। দৰাঘৰীয়াই যি খুজিব যি ক'ব, সকলোতে হয় কৰিবা, পাছত দেখা যাব—কাক কোনে কাবু কৰে। আমিও আছোঁৱেই নহয়—?"

এইবোৰ কথা-কাণ্ড নৰেনৰ আচৰিত যেনেই লাগিল। গাঁৱৰ প্ৰায় চবেই সাগৰক বেয়া পায় বুলিহে তাৰ ধাৰণা হৈছিল। কিন্তু কথা দেখোন—আন।

এইবোৰ কথা ভাবি ভাবিয়েই সাগৰে নৰেনৰে সৈতে ঘৰ পালেহি।

আৰু ঘৰ পায়েই লগ পালে—নৰেনে সাগৰৰ ঘৰতে লগ পোৱা সেই মানুহজনক। মানুহজনে সাগৰক ক'লে, "কালিলৈ তোমাৰ ছোৱালীজনীক চাবলৈ আহিব বুলি শুনিলোঁ। যদি টকা-পইচাৰ দৰ্কাৰ হয়—অসংকোচে ক'বা—লাজ নকৰিবা। দৰ্কাৰতহে পইচাৰ দাম—নহ'লেনো কি?"

ইতিমধ্যে নৰেনে কঢ়িয়াই অনা ঠাল-ডাল কান্ধৰপৰা ঘৰৰ মজিয়াত নমাই

থৈছিল। সাগৰে নৰেনক ক'লে, "আপোনাক—কি যে কওঁ—আপোনাৰ ওচৰত ওৰে জীৱনলৈ ধৰুৱা হৈ থাকিলোঁ। আজি আমাৰ ঘৰতে থাকিবই লাগিব, নহ'লে নেৰিছোঁ।"

তেতিয়া নৰেনে সাগৰক ক'লে যে—তাৰ শিক্ষাগুৰু প্ৰবীণে তাক সাগৰৰ ওচৰলৈ পঠালে। কিন্তু নৰেনে প্ৰবীণ কোন—বহুতো পৰলৈকে ভাবিও ঠাৱৰ কৰিব নোৱাৰিলে।

পাছদিনা ছোৱালী চাবলৈ দৰাঘৰীয়া আহিল, চুবুৰীয়াইঁতে এই কামত সাগৰক যথেষ্ট সহায় কৰিলে, গাঁৱৰ মুখ্য লোক-

সকল আহিল আৰু সাগৰেও সকলোকে যথেষ্ট খাতিৰ-যত্ন কৰিলে।

দৰাঘৰীয়াই নগদ ধন যৌতুক হিচাপে খুজিলে, সাগৰৰ পক্ষে যদিও টানেই—তথাপি সাগৰ ৰাজী হ'ল।

দৰাঘৰীয়া আৰু আন সকলো ঘৰাঘৰি যোৱাৰ অন্তত সাগৰৰ মাকে সাগৰক ক'লে, "তুমিনো—অকলেই ইমানবোৰ যোগাব পাৰিবানে? ভনীয়েৰাৰ বিয়াত যিখিনি ধাৰ লৈছিলা, সেইখিনি ধাৰও এতিয়ালৈকো দেখোন মাৰিবলৈ নহ'ল। গতিকে—"

"এইবোৰ তো আছেই, তাৰ কাৰণে কেৱল ভাবি থাকিলেই হ'বনে?" সাগৰে মাকৰ কথাত অলপো বিচলিত নোহোৱাকৈ ক'লে, "কথাতে বোলে—টান মুখ দীঘল ফুঁক, তেহে দেখিবা জুইৰ মুখ। তোমাৰ কোনো চিন্তা নাই, মই সকলো কামেই চম্ভালিব পাৰিম।"

পাছদিনা, ৰাতি পুৱাতে নৰেনে সাগৰক ক'লে, "কথা এটা কওঁনে আপোনাক?—আপোনাক যিহঁতে আপোনাৰ আগত প্ৰশংসা কৰে, সিহঁতৰ মাজত অধিক ভাগেই কিন্তু টুটকীয়া মানুহ।—আগত খুড়া খুড়া, পিছত মালী বুঢ়া ধৰণৰ।"

সাগৰে হাঁহি মাৰি ক'লে, "জানো মই।—শুনক, ময়ো এসময়ত আপোনাৰ দৰেই সন্তৰণবিদ হোৱাৰ আশা পালি আছিলোঁ আৰু মোৰ সেই আশা একেবাৰে বিফল হ'ল বুলিও ক'ব নোৱাৰোঁ। কিয়নো—জগতৰ সকলো সাগৰৰ শ্ৰেষ্ঠ সাগৰ, ভয়ংকৰ সাগৰ—সংসাৰ-সাগৰ কেনেকৈ সাঁতুৰি পাৰ হ'ব লাগে—সেই দক্ষতা বহুতো বাধা-বিঘিনি পাৰ হৈ—মই আৰ্জিলোঁৱেই।"

এই উত্তৰ শুনি প্ৰত্যুত্তৰ দিবলৈ পাহৰি নৰেন ভেবা লাগিল।



অভিশপ্ত পুষ্প

১২

[আগৰ কথা : চক্ৰী নাগসিংহই উ তুঙৰ প্ৰশ্নৰ কোনো সদুত্তৰ দিব নোৱাৰিলে আৰু খণ্ডতে গুজৰি উঠি উ তুঙক নাৱৰপৰা গুৰিয়াই সমুদ্ৰৰ ফেনিল জলৰাশিৰ বুকুলৈ পেলাই দিলে। অসীম সমুদ্ৰত তেতিয়া নিঃসীম অন্ধকাৰ। সাঁতুৰি সাঁতুৰি অসহায় উ তুং যেতিয়া ভাগৰি পৰিল, তেতিয়া হঠাৎ সমুদ্ৰৰ বুকুত উটি যোৱা নাও এখন পাই উ তুঙে বহু কষ্টেৰে সেই নাওখনত উঠি বহিল আৰু প্ৰাণপণে ব'ঠা মাৰি মাৰি উত্তাল সফেন সমুদ্ৰৰ শিলাময় তীৰলৈ বুলি আগুৱাই গৈ থাকিল। আৰু তাৰ পাছত···]

ইপিনে—মণিনগৰ ৰাজ্যত ৰাজকুঁৱৰী প্ৰিয়ম্বদাৰ সৈতে থকা উ তুঙৰ ভনীয়েক লিজানা উদ্বিগ্ন-উৎকণ্ঠিত হৈ উঠিল। ৰাজকুঁৱৰী প্ৰিয়ম্বদাৰ উৎকণ্ঠাৰ উমান লোৱা টান, কিন্তু তেৱোঁ গম্ভীৰ হৈ পৰিছে। যদিও প্ৰিয়ম্বদাই লিজানাক সান্ত্বনা দিছে : নিশ্চয় উ তুং শীঘ্ৰেই আহিব, চিন্তা নকৰিবা, কালিলৈ দেউতাক সুধিম—তেওঁ কিবা বাতৰি পালেনেকি।

সিপিনে—প্ৰাণপণে ব'ঠা মাৰি মাৰি সমুদ্ৰ তীৰত থকা থিয় পৰ্বতৰ শিলাময় ভূমিলৈ উ তুং আগবাঢ়ি গৈ থাকিল। সমুদ্ৰ তেতিয়া অন্ধকাৰ, কিন্তু তীৰত তেতিয়ালৈকো পোহৰৰ ৰেঙনি। আগুৱাই গৈ থাকোঁতে উ তুঙে সমুদ্ৰৰ চাৰিওফালে আকৌ এবাৰ তীক্ষ্ণ দৃষ্টিৰে চাই ল'লে :

‘অগ্নিগৰ্ভ সমুদ্ৰত সমুদ্ৰী’

নাই, সমুদ্ৰৰ ক'তো-কেনিও কোনো নাও, বা কোনো মানুহ নাই। 'শতাব্দিকা' ফুলখিনি কি হ'ল ? উ তুঙে ভাবিলে : নিশ্চয় কোনোবা এখন নাৰত আছে। আৰু আছে—নিশ্চয় নাগসিংহৰ খপ্পৰত ? নাগসিংহই তাৰ পৈশাচিক ষড়যন্ত্ৰক সফল কৰিবলৈ 'শতাব্দিকা' ফুলখিনি কামত লগাব আৰু শতাব্দিকাৰ যোগেদি কামত লগাব সেই ভয়ানক সমুদ্ৰী-ৰাক্ষসাক।

অৰশেষত উ তুং সমুদ্ৰৰ শিলাময় তীৰৰ কায চাপিল। কিন্তু বিৰাট-বিশাল ঢৌবোৰে তাক থেকেচি থাকিল। আৰু এইদৰে থেকেচা খাই খাই এসময়ত এক প্ৰকাণ্ড ঢৌৱে মাৰৰে সৈতে উ তুঙক পাৰলৈ দলিয়াই পেলালে।

পাৰ পায়েই উ তুং উঠি থিয় হ'ল আৰু চাৰিওফালে আকৌ এবাৰ চাই লৈ, নাও-খনক টানি টানি কিছু দূৰলৈ লৈ গ'ল। আৰু তাৰ পাছত সি পোনে পোনেই গ'ল চৰ্দাৰ কাবুইৰ ঘৰলৈ।

ঘৰৰ দুৱাৰ খুলি ওলাই আহিল চিতিৰা—চিত্ৰা। চিত্ৰাই অতি আচৰিত হৈ কৈ উঠিল, "আ ! তুমি!"

"কাবুই ক'ত ?" উ তুঙে সুধিলে।

"বা—?" চিত্ৰাই ক'লে, "বা-ই সেনাধিপতিৰ তালৈ গৈছে।"

চিত্ৰাই কি কৈছে বুজিব নোৱাৰি উ তুঙে আন্দাজে-মুন্দাজে সুধিলে,"—ৰাজা? ৰাজাৰ ঘৰলৈ ?"

চিত্ৰাই মূৰ জোকোৰাত উ তুঙে পুনৰ সুধিলে, "সেনাধিপতিৰ তালৈ ? দুৰ্জয়-মহাদেৱৰ তালৈ গ'লনে—?"

এইবাৰ চিত্ৰাই মূৰ দুপিয়ালে, আৰু তাইক বিস্ময়ত স্তব্ধ কৰি থৈ উ তুঙে এটা শব্দও নোকোৱাকৈ তাৰপৰা বেগাই খোজ ল'লে।

"উ তুং ! তুমি !

সেনাধিপতি আৰু তাত বহি থকা কাবুইয়েও একেলগেই বাহৰপৰা থিয় হৈ

কৈ উঠিল, "কি হ'ল—উ তুং ?" আমাৰ দলাধিপতি ......।"

"তেওঁৰ কথা মই ক'ব নোবাৰিম। মই সাগৰত পাৰি গৈছিলোঁ ......।" উ তুঙে হেঁপাই-ফোঁপাই ক'লে।

"তোমাক — তোমাক সামুদ্ৰী-ৰক্ষসে আক্ৰমণ কৰিছিলনে কি ?" কাবুইয়ে প্ৰশ্ন কৰিলে।

সেনাধিপতিয়ে উ তুঙক ৰহিবলৈ ক'লে আৰু কাবুইয়ে ক'লে, "আমাৰ কাইকিলৈ—ভগৱানলৈ সেচা জনাওঁ—তুমি যে নিৰাপদে আছা !"

উ তুঙে ভালকৈ বহি লৈ—নাগসিংহৰ লগত হোৱা কথাখিনি কাবুই আৰু সেনাধিপতিক ক'লে।

শুনি কাবুইয়ে সেনাধিপতিক চিন্তিত কণ্ঠেৰে ক'লে, "কিন্তু — কিন্তু চক্ৰী নাগসিংহই সেই ভয়ানক সমুদ্ৰী-ৰাক্ষসক কেনেকৈ কামত লগাব ?"

সেনাধিপতিয়ে ক'লে, "নাগসিংহই শতাব্দিকা পুষ্পৰ আকৰ্ষণেৰে সেই ভয়াবহ সমুদ্ৰী-ৰাক্ষসক আমাৰ নাগপুৰীলৈকো লৈ আহিব পাৰে। আৰু তেতিয়া — সমুদ্ৰী-ৰাক্ষস হৈ উঠিব নাগসিংহৰ আজ্ঞাবহ—নাগসিংহই যি ক'ব সমুদ্ৰী-ৰাক্ষসে তাকেই কৰিব।"

"কিন্তু — সমুদ্ৰী-ৰাক্ষসৰ সম্পৰ্কে নাগসিংহই একোৱেই নাজানে। জনাহেঁতেন—নাগসিংহই বুজিব পাৰিলেহেঁতেন যে তাৰ পৰ্বতসম দেহৰে ৰাক্ষসটোৱে সমুদ্ৰৰ তীৰস্থ শিলাময় পৰ্বত বগাই নাগপুৰীলৈ আহিবই নোৱাৰিব।"

উ তুঙৰ কথাত কোনো উত্তৰ নিদিয়াকৈ কাবুইয়ে ক'লে, "আমি মহাৰাজক কথাখিনি এতিয়াই ক'লেহে কিজানি ভাল হ'ব।" তিনিও তৎক্ষণাং ৰাজপ্ৰাসাদলৈ বুলি খোজ ল'লে।

সকলো কথা ধৈৰ্য্য ধৰি শুনাৰ অন্তত মহাৰাজ মাহিনদাকৰে ক'লে, "মোৰ কথা,



বা ৰাণীৰ, বা উযিয়াৰ কথাত চিন্তিত হ'ব নালাগে, সেনাধিপতি। আমাৰ এই নাগপুৰীক আৰু নাগপুৰীৰ প্ৰজাবৰ্গক—যিকোনো ভাবে সমুদ্ৰী-ৰাক্ষসৰ কবলৰপৰা ৰক্ষা কৰাৰ চেষ্টা জনেছে কৰিব লাগিব। ব'লা, আমি সসৈন্যে সমুদ্ৰতীৰলৈ যাওঁ, আৰু তাত কি অৱস্থা চাই আহোঁগৈ। প্ৰতিজন সৈন্যয়েই হাতত জোঁৰ লৈ যাব লাগিব। কিয়নো—যি বুজিছোঁ, সেই সমুদ্ৰী-ৰাক্ষস হ'ল পোহৰ-সহিব-নোৱৰা। গতিকে—উজ্জ্বল পোহৰৰ সন্মুখীন সি নহ'ব যেন লাগে। কবুই—উ তুং—তোমালোক আগ বাঢ়া, আমিও অলপতেই সমুদ্ৰতীৰ পামগৈ।"

কাবুই আৰু উ তুং সমুদ্ৰতীৰলৈ গ'ল।

হঠাৎ—বহু দূৰৰপৰা এক অতি ক্ষীণ আৰ্তনাদৰ শব্দ যেন শুনা গ'ল। সেই ক্ষীণ শব্দ ক্ৰমাত স্পষ্ট হ'বলৈ ধৰিলে। অলপ পাছত এই আৰ্তনাদৰ হেতু বুজা গ'ল। এই আৰ্তনাদৰ উৎস আছিল এখন নাও আৰু নাৰত থকা কিছুমান নাগপুৰীয়া সৈন্য, যিহঁতে উ তুং আৰু নাগসিংহৰ পিছে পিছে সমুদ্ৰ-অভিযানলৈ ওলাইছিল।

উ তুঙে ভাবিলে: সৈন্যহঁত উভতি আহিব ধৰিছে। কিন্তু নাগসিংহ? নাগসিংহ উভতি আহিছিলনে?-শতাব্দিকা ফুলখিনি যদি সিহঁতৰ নাৰতে আছে—সমুদ্ৰী-ৰাক্ষসো নাহিবনে?

নাৰৰ সৈনিকবিলাকৰ চিঞৰ-বাখৰ এতিয়া অধিক স্পষ্ট, নাওখনৰ আৰোহীবিলাকো স্পষ্ট হৈ উঠিছে। হঠাৎ উ তুঙে কৈ উঠিল, "কাবুই, নাওখানাত—ধুমক'লা কিবা এটা—থিয় হৈ থকা যেন পাইছোঁ।"

"নাগসিংহ নহয় তো?"

উ তুঙে কাবুইৰ এই কথাৰ উত্তৰ লগে লগে নিদিলে। উ তুঙে বিশাল কিবা এটাৰ—পৰ্বতাকাৰ কিবা এটাৰ অস্পষ্ট ছাঁ যেন দেখা পালে।

হঠাৎ উ তুঙে চিঞৰি দিলে: "কাবুই!

কা—বুই! সেইটোৱেই সমুদ্ৰী ৰাক্ষস!”

“ক’ত? ক’—ত?”

“সৌৱা, চাওক—দেখাত পৰ্বতৰদৰে—সমুদ্ৰৰ বুকুত—কিবা এটা—।”

“আ!”

বিস্মিত-সন্ত্ৰস্ত কাবুইয়ে কৈ উঠিল, “ঠিক, ঠিক। সৰুমুৰা পৰ্বতৰ দৰেই।—সেনাধিপতি আৰু মহাৰাজ ইয়াত থকাহেঁতেন—!”

উ তুঙে পিছফাললৈ ঘূৰি চাই ক’লে, “তেওঁলোক আহি পালেহিয়েই—চাওক, সৌৱা—জোঁৰবোৰ দেখা পাইছেনে?”

কাবুইয়ে বহু দূৰত—জোঁৰ হাতত লৈ এদল মানুহক আহি থকা দেখা পালে আৰু সেইদল মানুহৰ আগশাৰীত যে সেনাপতি আৰু স্বয়ং মহাৰাজ মহিনদাৰু আছে—সেই বিষয়েও কাবুই নিশ্চিত।

চাওঁতে চাওঁতে সেনাধিপতি আৰু মহাৰাজ মাহিনদাৰু সসৈন্যে তালৈ আহিল আৰু সৈন্যদলৰ হাতত থকা জোঁৰৰ উজ্জ্বল পোহৰেৰে সমুদ্ৰবক্ষ আলোকিত হৈ উঠিল। আৰু সেই অলোকময় সমুদ্ৰৰ বিপুল জলৰাশি ভেদ কৰি—এখন নহয়, দুখন নাও তীৰলৈ আহিবলৈ সমুদ্ৰৰ বিৰাট বিশাল ঢৌৰা সৈতে যুঁজি থকা কাবুইৰ সেনাধিপতিৰ আৰু মহাৰাজ মাহিনদাৰুৰো অতি সহজতেই দৃষ্টিগোচৰ হ’ল।

আৰু দৃষ্টিগোচৰ হ’ল—সেই নাও দুখনৰপৰা কিছুখিনি আঁতৰত থকা এক পৰ্বতাকাৰ কিবা এটা। এই পৰ্বতাকাৰ বিশাল ভয়ংকৰ প্ৰাণীটোনো—কি?

“সৌৱা!”

বিস্মিত-স্তম্ভিত সেনাধিপতি দুৰ্জয় মহাদেৱে কৈ উঠিল, “সৌৱা! চাওক! সেইটোৱেই নিশ্চয় সমুদ্ৰী-ৰাক্ষস! সৌটোৱেই ডিং ডং!” ৰাক্ষসক নাগপুৰীয়াই ‘ডিং ডং’ বুলি কয়।

“কোনো সন্দেহ নাই!”

মহাৰাজ মাহিনদাৰুৱে ক’লে, “উ তুঙৰ

কথা বোধকৰোঁ ঠিক। ইমান বিৰাটদেহী পৰ্বতহেন ডিং ডং ইমান ওখ ওখ শিলবোৰ পাৰ হৈ—সমুদ্ৰৰপৰা আমাৰ ৰাজ্যলৈ আহিব নোৱাৰিব। কিন্তু—তথাপি ই অগুৱাই আহিছে। কিন্তু·········ইয়াৰ মতলবনো কি ?"

সমুদ্ৰী-ৰাক্ষসৰ মতলবৰ কথা জানিবলৈ সৰহ পৰ নালাগিল। সি তাৰ সমুখৰ ফালে কিবা এটা ধৰিবলৈ হাতেৰে চেষ্টা কৰি আছিল। কিন্তু সেই নাও দুখনৰ বাহিৰে—সমুদ্ৰৰ বুকুত আৰুনো কি আছিল ?

হঠাৎ সমুদ্ৰী-ৰাক্ষস ডিং ডঙে এখন নাৱৰ একাষত থাপ মাৰি ধৰিলে আৰু লগে লগে নাৱৰ সোঁমাজত থিয় হৈ থকা মানুহ এজন নাৱতে বাগৰি পৰিল।

"জ্বলন্ত জোঁৰবোৰ দলিয়াই মাৰা !" সেনাধিপতি দুৰ্জয়মহাদেৱে সৈন্যহঁতক আদেশ দিলে, "মাৰা—ডিং ডঙলৈ !"

আৰু সৈন্যহঁতে ধনুত কাঁড়ৰ সলনি জোঁৰ লগাই সেই জ্বলন্ত জোঁৰবোৰ সমুদ্ৰী-ৰাক্ষস ডিং ডঙলৈ সজোৰে নিক্ষেপ কৰি থাকিল। কিছুমান জোঁৰ লক্ষ্যভ্ৰষ্ট হৈ সাগৰৰ পানীত পৰিল। কিন্তু অধিকভাগ জ্বলন্ত জোঁৰ সমুদ্ৰী-ৰাক্ষস ডিং ডঙৰ গাত পৰি লৌ লৌ কৰে জ্বলি থাকিল।

সমুদ্ৰী-ৰাক্ষস তাৰ ইখন হাতেৰে জোঁৰৰ তীব্ৰ পোহৰ আঁৰ কৰিলে আৰু সিখন হাতেৰে নাওখন টানকৈ ধৰি থাকিল। তিমানতে জোঁৰৰ জুয়ে ডিং ডঙক চাৰিওফালৰেপৰাই আগুৰি ধৰিছিল।

আৰু তাৰ ফলত, সেই প্ৰচণ্ড জুইৰ উত্তাপ সহিব নোৱাৰি ডিং ডঙে নাওখন এৰি দি সমুদ্ৰৰ তললৈ ······ ক্ৰমাৎ আৰু তললৈ ডুব দিবলৈ ধৰিলে ······।

কিন্তু কেই মুহূৰ্তমানৰ পাছতেই ডিং ডং আকৌ সমুদ্ৰতলৰপৰা থূৰ দাঙি থিয় হ'ল আৰু তাৰ দুয়োখন হাতেৰে দুয়োখন

নাও খোলাকটিৰ দৰে শূন্যলৈ ওফৰাই দিলে, আৰু নাও ডুখনত থকা নাগপুৰীয়া সৈন্যবোৰ আৰু শতাব্দিকা ফুলখিনিও সেই মহাসমুদ্ৰৰ বিশাল জলৰাশিত উফৰি পৰি ঢৌৰ লগে লগে উটি-ভাহি থাকিল। ডিং ডঙে শতাব্দিকা ফুলখিনি তাৰ দুয়োখনৰ হাতেৰে বুটলিবলৈ ধৰিলে আৰু উফৰি পৰা নাগপুৰীয়া সৈন্যহঁতে আটাহ পাৰি পাৰি আকাশ-বতাহ ছিৰাছিৰ কৰিবলৈ ধৰিলে।

ইতিমধ্যে — শতাব্দিকা পুষ্প বুটলি থকা সমুদ্ৰী-ৰাক্ষসলৈ সমুদ্ৰ-তীৰৰপৰা বহু সংখ্যাত জ্বলন্ত জোঁৰ দলিয়াই মৰা হৈছিল আৰু তাৰ মূৰ আৰু তাৰ বিকট আকৃতিৰ বেকেট। মুখখনকো জুয়ে গ্ৰাস কৰিছিল। লাহে লাহে সি নিস্তেজ হৈ পৰিল, সমুদ্ৰ-বক্ষৰপৰা বোটলা সেই শতাব্দিকা ফুলখিনি সি তাৰ হাতৰ মুঠিৰপৰা পুনৰ সমুদ্ৰৰ বুকুতে এৰি দিলে, আৰু সমুদ্ৰৰ জলৰাশিত বিৰাট বুৰবুৰনি তুলি সেই সমুদ্ৰী-ৰাক্ষস ডিংডং অতল জলৰ তলতে ডুব দিলে। সি আৰু নুঠিল।...

"ডিং ডঙৰ খেল খতম্!" মহাৰাজ মাহিনদাৰুৱে কৈ উঠিল, "শতাব্দিকা পুষ্পখিনিও সি এৰি দিলে। সি আৰু শতাব্দিকা বুটালিবলৈ — কোনোদিনেই সাগৰতলীৰপৰা মূৰ নাদাঙিব যেন পাওঁ ...। সেনাধিপতি—কাবুই—উ তুং —তোমালোকৰ মত কি?"

"আপোনাৰ ধাৰণা সঠিক যেনেই লাগিছে, মহাৰাজ! সেনাধিপতিয়ে ক'লে, "সমুদ্ৰী-ৰাক্ষস ডিং ডং মৰিল।"

"কিন্তু ...... কিন্তু আমাৰ কুচক্ৰী নাগসিংহৰ কি হ'ল। সি ক'লৈ গ'ল? নাগসিংহও মহাসমুদ্ৰত সমাধিস্থ হ'লনে?" কাবুইৰ এই অতি সঠিক ভয়ানক প্ৰশ্নই সকলোটিৰ মনতে এক অজান ভীতিকৰ আলোড়নৰ সৃষ্টি কৰিলে। [অহা সংখ্যাত।

প্ৰেম

অদম্য বিক্ৰমাদিত্যই পুনৰ সেই গছৰ পৰা সেই মৃতদেহটো নমাই আনি, কান্ধত পেলাই লৈ শ্মশানলৈ বুলি গৈ থাকোঁতে মৃতদেহৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, তুমি যদি এই দুৰূহ কৰ্ম পত্নী-পুত্ৰৰ মংগলৰ কাৰণে বা প্ৰেমৰ কাৰণে কৰি আছা, তোমাক প্ৰশংসা-কৰিবই লাগিব। কিন্তু যদি পিতৃ-মাতৃক তুষ্ট কৰাৰ কাৰণে কৰিছা, তেনেহ'লে—তাতকৈ মূৰ্খাদপি মূৰ্খৰ কৰ্ম জগতত আন একো নাই বুলিয়েই জানিবা। মোৰ এই মন্তব্যত যদি বেয়া পাইছা, তেনেহ'লে তোমাক কৰ্পূৰধ্বজৰ প্ৰেম-কাহিনী কওঁ শুনা। এই কাহিনী শুনিলে পথশ্ৰম পাতলিব, আৰু তোমাৰ জ্ঞানচক্ষু ও উন্মীলিত হ'ব বুলি জানিবা।" এই বুলি কৈ, বেতালে মহাৰাজ মকৰধ্বজৰ পুত্ৰ অংগ-ৰাজ কৰ্পূৰধ্বজৰ বেদনাদায়ক কিন্তু শিক্ষণীয় প্ৰেম-কাহিনী কব'লৈ ধৰিলে:

'বেতাল-কথা'



অংগৰাজ মকৰধ্বজদেৱ যথেষ্ট বৃদ্ধ হ'ল আৰু শাসন-কাৰ্য্যত ক্ৰমাত অপাৰগ হৈ পৰিল। তেওঁৰ প্ৰাণ-পক্ষী যে উৰিবৰ হ'ল সেই কথা উপলব্ধি কৰি তেওঁ তেওঁৰ পুত্ৰ কৰ্পূৰধ্বজক এদিন কলে, "শুনা, মোৰ মৃত্যু আসন্ন। কিন্তু—মৰিও মোৰ আত্মা মুক্ত নহ'ব। কিয়নো—জাগতিক ইচ্ছা সমূহ মোৰ প্ৰাণত এতিয়াও জাগৰূক হৈয়েই আছে। তুমি এটা কাম কৰিবা। মোৰ মৃত্যুৰ অন্তত মোৰ মৃতদেহ চিতাজুইৰে পুৰি নোপেলাবা। ৰাজবৈদ্যৰ সহায়ত মোৰ মৃতদেহত ঔষধি লেপন কৰি সংৰক্ষিত কৰি থ'বা। চিকিৎসাবিদ্যাৰ যি অগ্ৰগতি দেখিছোঁ, এদিন হয়তো এই বিদ্যাই মৃতকক তথা মোক পুনৰ্জীৱিত কৰিব। বা—কোনো সাধু-সন্যাসীয়েও হয়তো মোৰ মৃতদেহত প্ৰাণ-সঞ্চাৰ কৰিব পাৰিব। মোৰ এই ইচ্ছাক মোৰ অন্তিম ইচ্ছা বুলি গণ্য কৰিবা।"

তাৰ পাছত, প্ৰায় এপষৰ অন্তত, বৃদ্ধ মহাৰাজ মকৰধ্বজৰ মৃত্যু হ'ল, আৰু পুত্ৰ কৰ্পূৰধ্বজে ৰাজবৈদ্যৰ আৰু অন্যান্য ৰিখ্যাত বিখাত বৈদ্যৰ সহায়ত পিতাকৰ মৃতদেহ ঔষধি লেপন কৰি চন্দন কাষ্ঠৰ আধাৰত ভৰাই কক্ষ এটাত থৈ দিলে।

কৰ্পূৰধ্বজ ৰজা হ'ল। তেওঁৰ পত্নী বিদ্যুল্লতা তেতিয়া গৰ্ভৱতী, ৰাজ-জ্যোতিষীয়ে ৰাণী বিদ্যুল্লতা পুত্ৰৱতী হ'ব বুলি ক'লে। কিন্তু—আন কিবা এষাৰ কথা ক'বলৈকো ৰাজ-জ্যোতিষী উচপিচাই থকালৈ লক্ষ্য কৰি কৰ্পূৰদেৱে জ্যোতিষীক ক'লে, "যদি আৰু কিবা ক'বলগীয়া আছে—নিৰ্ভয়ে-নিডৰে প্ৰকাশ কৰক।"

তেতিয়া ৰাজ-জ্যোতিষীয়ে ৰজা কৰ্পূৰদেৱক ক'লে, "মহাৰাজ! এমাহৰ অন্তত—অৰ্থাৎ সাতত্ৰিশ দিনৰ ভিতৰত আমাৰ মহাৰাণীক কাল-সৰ্পই দংশন কৰিব পাৰে।"

শুনি—ৰাজ-দম্পতি বৰ ব্যাকুল হ'ল।

pua

পুত্ৰৱতী হোৱাৰ কথা শুনি যি নধৰা আনন্দ হৈছিল, সেই আনন্দক যেনিবা ৰাহুৱে গ্ৰাস কৰি পেলালে।

সিদিনাৰেপৰাই সমগ্ৰ অংগৰাজ্যৰ চুকে-কোণে থকা সাপৰ গাঁতবিলাক আৰু সাপবিলাককো ধ্বংস কৰি পেলোৱা হ'ল।

ৰজা কৰ্পূৰধ্বজে ভাটৌ পোহাৰ দৰে চিলা এটা পুহিবলৈ ধৰিলে আৰু ক্ৰমে ক্ৰমে সেই চিলাটো বিদ্যুল্লতাৰ কান্ধৰ ওপৰত তাৰ শেন চকু মেলি চিকাৰলৈ জোপ লৈ বহি থাকিবলৈ ধৰিলে।

তাৰ পাছত এদিন আহিল জ্যোতিষী সেই ভৱিষ্যদ্বাণীৰ শেষ দিন। আজিৰ দিনৰ এই পূৰ্ণিমাৰ নিশা যেতিয়া উকলিব, তেতিয়াৰপৰা সৰ্পাঘাতৰ বিপদ আৰু নাথাকিব। আকাশত পূৰ্ণচন্দ্ৰৰ উদয় হ'ল। এনে নয়ন মনোহৰ জোনাকলৈ চাই চাই ৰাণী বিদ্যুল্লতাই ৰজা কৰ্পূৰদেৱক ক'লে, "এনেহেন জোনাক নিশা ক্ষন্তেকমানৰ কাৰণেও আমাৰ উদ্যানত ফুৰিব পৰাহেঁতেন!"

ৰজা কৰ্পূৰে পত্নীৰ মনোবাসনা পূৰণ কৰিব বুলি স্থিৰ কৰিলে। তেওঁ পত্নীৰে সৈতে উদ্যানলৈ গ'ল আৰু অম্লান জোনাক-সুধাৰ মাজত উদ্যানত লঘু পদপেক্ষৰে ফুৰি থাকিল। তেতিয়া চিলাটো বিদ্যুল্লতাৰ কান্ধৰ ওপৰত। অকস্মাৎ চিলাটো তীব্ৰ বেগেৰে উৰিল আৰু অলপ আঁতৰত এজোপা অশোকবৃক্ষৰ ডালত বগাই ফুৰা সাপ এটাক তাৰ সুতীক্ষ্ণ ঠোঁটেৰে ছো মাৰি তাৰপৰা লৈ গ'ল। কিন্তু সেই বিষাক্ত সাপটোৱে কেনেবাকৈ চিলাটোৰ ঠোঁটৰপৰা নিজক মুক্ত কৰিলে আৰু পোনে পোনেই বিদ্যুল্লতাৰ বাহুৰ ওপৰত পৰি তেওঁৰ কান্ধতে দংশন কৰিলে।

খবৰ পাই ৰাজবৈদ্য দৌৰি আহিল। কিন্তু সৰ্পটো আছিল ভয়ানক বিষধৰ, বৈদ্যৰ দৰবে একো গুণ নি দিলে, কিয়নো ৰাণীৰ তিমানতে মৃত্যু হৈছিল।

শোকগ্ৰস্ত ৰজা কৰ্পূৰে পত্নীৰ মৰদেহও তেওঁৰ পিতাকৰ মৰদেহৰ দৰেই সংৰক্ষিত কৰিলে আৰু একেদৰেই চন্দনকাষ্ঠৰ আধাৰত ভৰাই পিতাকৰ মৰদেহৰ কাষতে থৈ দিলে। ৰজা কৰ্পূৰৰ আশা ঃ যদিহে কেতিয়াবা প্ৰকৃততেই পুনৰ্জীৱন সম্ভৱ হৈ উঠে, পিতাকৰ লগে লগে স্নেহময়ী পত্নীকো তেওঁ জীৱিতাৱস্থাত পুনৰ পাব।

কেইবছৰমান এইদৰে অতিক্ৰান্ত হ'ল। তাৰ পাছত এদিন হিমালয়ৰপৰা প্ৰখ্যাত সন্যাসী এগৰাকী অংগৰাজ্যলৈ আহিল আৰু বৰ আশাৰে পিতৃ তথা পত্নীপ্ৰেমী কৰ্পূৰৰজাই সন্যাসীগৰাকীৰ কাষ চাপি সকলো কথা ক'বলৈ লোৱাত সন্যাসীয়ে কৈ উঠিল, "বৎস! একো ক'ব নালাগে। মই সকলো জ্ঞাত। কিন্তু তোমাৰ পিতাৰ দেহ দাহ নকৰাতহে এনেহেন বিপত্তিত পৰিলা, স্নেহময়ী পত্নীকো সেই ত্ৰুটিৰ কাৰণেই হেৰুৱালা। —মই মোৰ তপোবলেৰে মত্ৰ এজনক পুনৰ্জীৱিত কৰিব পাৰিম। এক্ষণে কোৱাঁ, তোমাক কাক লাগে, পিতৃকনে পত্নীক?"

ৰজা কৰ্পূৰে ক'লে, "হে মহাত্মা! পিতৃ মকৰধ্বজৰ প্ৰাণদান কৰক।"

সন্যাসীয়ে কৰ্পূৰৰজাৰ চকুলৈ চালে আৰু ক'লে, "তুমি এজন মহৎ বিবেকৱান ব্যক্তি। সেইহে, তুমি একে লগে তিনিওৰেই পুনৰ্জীৱন লভিবা।"

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, "হে ৰাজন্! সন্যাসী চৈতন্যস্বামীৰ কথাত পৰস্পৰ-বিৰোধিতা আছে। প্ৰথমে—মাত্ৰ এজনক পুনৰ্জীৱিত কৰিব পাৰিব বুলি কৈছিল, কিন্তু পাছ মুহূৰ্ততে তিনিজনৰ কথা কৈছিল। আৰু—ৰজা কৰ্পূৰে তেওঁৰ পিতাকৰ পুনৰ্জীৱনৰ কথা কৈছিল, কিন্তু তেওঁ তেওঁৰ পত্নীৰ কথাৰ উল্লেখ-মাত্ৰও কৰা নাছিল। তথাপি সন্যাসীয়ে কৰ্পূৰধ্বজক মহৎ বিবেকৱান ব্যক্তি বুলি কোৱাটো—সঠিকনে? আৰু তিনিজন মানে — কোন কোন? পিতৃ, পত্নী—আৰুনো কোন? মহৰ্ষি সন্যাসী চৈতন্য-স্বামীৰ এইবোৰ কথা মোৰ বোধগম্য হোৱা নাই, মোক বুজাই কোৱা। যদি জানিও সঠিক উত্তৰ নিদিয়া, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব—এই কথা ধ্ৰুৱ।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমা-দিত্যই ক'লে, "মহাৰাজ কৰ্পূৰক কেৱল পিতৃপ্ৰেমী বুলি ভবাটো ভুলহে হ'ব। তেওঁ তেওঁৰ পত্নীকো অত্যন্ত ভাল পাইছিল। পত্নী বিদ্যাল্লতাৰ মৃত্যুৰ কেইবাবছৰো অন্তত কৰ্পূৰধ্বজ মহাৰাজে যে পুনৰ্বিবাহৰ কথা আনকি এবাৰলৈকো চিন্তাও কৰানছিল, সেয়ে তেওঁৰ মাজত থকা পত্নীপ্ৰেমৰ দেখ দেখ প্ৰমাণ। প্ৰকৃতপক্ষে — মহাৰাজ কৰ্পূৰদেৱে

পুনৰ্বিবাহৰ মুহূৰ্তৰ বাবেও ভবা নাছিল। মহৰ্ষি সন্যাসী চৈতন্যস্বামীয়ে মহাৰাজ কৰ্পূৰদেৱক কৈছিল যে— কৰ্পূৰদেৱৰ তেওঁৰ মৃত পিতাকৰ মৰদেহ শাস্ত্ৰবিধিমতে, সৎকাৰ তথা দাহ নকৰাত—সেই ত্ৰুটিৰ ফলত—তেওঁ তেওঁৰ পত্নীক হেৰুৱালে। সন্যাসীৰ এই কথাষাৰ আছিল এক বিৰাট অৰ্থ থকা কথা, আৰু সন্যাসীৰ এই উক্তিৰ মাজত নিহিত মহান তাৎপৰ্য্য মহাৰাজ কৰ্পূৰে পৰিষ্কাৰভাবে উপলব্ধি কৰিব পাৰিছিল। সন্যাসীৰ কথাষাৰৰ অন্তৰ্নিহিত অৰ্থ আছিল এয়ে যে—পিতৃৰ দেহ দাহ নকৰাজনিত ত্ৰুটিতহে পত্নীৰ মৃত্যু হ'ল। গতিকে — বুদ্ধিমান মহাৰাজ কৰ্পূৰে ভাবিলে যে—পিতাকৰ পুনৰ্জীৱন লাভৰ অৰ্থ হ'ল—সেই ত্ৰুটিৰ সংশোধন। আৰু এই সংশোধনৰ ফলত—তেতিয়া সেই ত্ৰুটিজনিত কাৰণত মৃতা পত্নীয়ো লভিব অভাৱিত পুনৰ্জীৱন।

"এই কাৰণেই মহাৰাজ কৰ্পূৰে মহাঋষি সন্যাসীৰপৰা পিতৃৰ প্ৰাণ-প্ৰাৰ্থনা তথা পুনৰ্জীৱনৰ বাবে প্ৰাৰ্থনা কৰিছিল।

"এতিয়া বাকী থাকিল—'তিনিজন'ৰ প্ৰশ্নটোৰ উত্তৰ। সামান্য ভাবিলেই এই কথা ওলাই পৰিব যে—কেৱল পিতৃ আৰু পত্নীয়েই মৃত নাছিল, পত্নীৰ গৰ্ভস্থ সন্তানটিৰো লগে লগে মৃত্যু হৈছিল। গতিকে — দেখাত দুজন মৃত—কিন্তু প্ৰকৃততে তিনি। গতিকে — পিতৃৰ পুনৰ্জীৱন লাভৰ ফলত যদি পত্নীও পুনৰ্জীৱিতা হ'ব—এই আশাৰে চালিত হয়েইহে মহাৰাজ কৰ্পূৰে পিতৃৰ প্ৰাণ-প্ৰাৰ্থনা কৰিছিল, তেওঁৰ এই প্ৰাণ-প্ৰাৰ্থনা পত্নীৰ প্ৰতি অৱহেলা প্ৰদৰ্শন নাছিল।

ৰজা বিক্ৰমাদিত্যৰপৰা এই সদুত্তৰ শুনিয়েই বেতাল বিজুলীগতিৰে পুনৰ সেই গছজোপালৈ উভতি গ'ল আৰু সেই গছৰ ডালত পুনৰ ওলমি থাকিল। [কল্পিত

যাক বোলে জনম

গুৰুপদ আছিল চালাক-চতুৰ যুৱক। এদিন তাৰ মনত ইচ্ছা জাগিল—সি চহৰত থকা-মেলা কৰিব. তাতেই আৰ্জিব, তাতেই খাব-শুব, গাঁৱৰ ঘৰটো সি বেচি দিব আৰু নিগাজীকৈ চহৰলৈ গুচি যাব।

যেন ভবা তেন কাম—গুৰুপদ তাৰ নাম। কিন্তু গাঁৱৰ ঘৰটোৰ দাম কোনেও পাঁচশ মুদ্ৰাতকৈ অধিক নিদিলে, ইমান কম দামত গুৰুপদয়ো নেবেচিলে।

গুৰুপদই চহৰলৈ আহ-যাহ আৰম্ভ কৰিলে। কিছুদিনৰ অন্তত চহৰত এজন আদ-বয়সীয়া মানুহৰ সৈতে তাৰ চিনাকি হ'ল। মানুহজন হ'ল উদফাইৰ বেমাৰী। চিকিৎসকে এই মানুহজনক — অৰ্থাৎ ৰামৰাজক — স্থান-পৰিৱৰ্তনৰ কথা কৈছিল চহৰৰ ধূলা-বালি এৰি কোনো গাঁৱলৈ গৈ থাকিব পাৰিলে হয়তো উদফাইৰ পৰা কিঞ্চিত ৰেহাই পাব।

গুৰুপদই তৎক্ষণাৎ কৈ উঠিল, "তেনেহ'লে— আৰু দেৰিনো কিহলৈ? ভাগ্য-দেৱতাইহে কিজানি আমাক লগ-লগাই দিলে। আপোনাৰ স্বাস্থ্যৰ কাৰণে আমাৰ গাঁওখনৰ তুলনা নাই। মই মোৰ গাঁৱৰ ঘৰটো বেচিম। মাত্ৰ আঠশহেজাৰ মুদ্ৰাৰে ঘৰ-মাটি সকলো পাব।"

"ঘৰটো কিনি লোৱাত মোৰ আপত্তিও নাই, অসুবিধাও নাই। পিছে কথা হ'ল —তোমালোকৰ গাঁৱৰ হাওৱা-পানী মোৰ পক্ষে ভাল হ'বনে নহ'ব—"

"এই কথাত আপুনি একদম

দেৱজিৎ শৰ্মা

নাভাবিলেও হ'ব। আমাৰ গাঁৱৰ হাওৱা-পানীৰ কথা কিনো ক'ম? সেই যে কয় নহয়—লিহিৰি লিহিৰি পাত দখিণাৱবীৰ বাত—ঠিক তেনেকুৱাই। আৰু—মোকেই চাওকচোন—মোৰ শৰীল-স্বাস্থ্যলৈ চাওক। পঁচিছ বছৰৰ আগতে যেতিয়া মই আমাৰ গাঁও পাইছিলোঁহি—তেতিয়া খোজ কাঢ়িব নোৱাৰা টো হৈ আছিলোঁ, সদায় খাটত শুই থাকিবলগীয়া হৈছিলোঁ। আৰু এতিয়া চাওক—দহোটা বাঘেও ছিঙি খাব নোৱাৰে মোক। আমাৰ গাঁৱৰ হাওৱা-পানী — মৃতকক জীৱনদানী। কিনো আৰু ক'ম বখানি?" গুৰুপদই গাঁৱৰ গুপ্ত কথা ব্যক্ত কৰিলে।

অতঃপৰ উদফাইৰ বেমাৰী ৰামৰাজে গুৰুপদৰ ঘৰটো আঢ়ৈ হেজাৰ মুদ্ৰাৰেই কিনি লৈ তাত বসবাস কৰিবলৈ ধৰিলে।

এইখন গাঁৱতে হুলবৰ্মন নামৰ মানুহ এজন আছিল গুৰুপদৰ শত্ৰুক। হুলবৰ্মনে এদিন ৰামৰাজক ক'লে, "সেই গৰুৱাগলা গুৰুপদ বোলাটোৱে প্ৰকৃতাৰ্থত আপোনাক ভাঁৰিলে। সি যে কৈছিল যে—সি পঁচিছ বছৰৰ আগতে খোজও কাঢ়িব নোৱাৰিছিল, তাৰ সেই কথা ধুমুৰ মিছা। তাক আমি তাৰ জন্মৰপৰা আজিপৰ্য্যে বেমাৰ-চেমাৰত পৰি থকা দেখা নাই।"

ৰামৰাজে গুৰুপদক মিছলীয়া বুলি কৈ এই কথাটো কোৱাত গুৰুপদই ৰামৰাজক ক'লে, "ববাৰু, এই কথাতহেনে আপোনাৰ খং উঠিছে, মোক মিছলীয়া বুলি কৈছে? শুনক তেন্তে। মই বেমাৰত পৰি খোজ কাঢ়িব নোৱাৰা হৈছিলোঁ বুলি কৈছিলোঁনে আপোনাক? মোৰ কথাৰ অৰ্থ আছিল: খোজ কাঢ়িব নোৱৰা মানে—জনম লোৱা, খাটত শুই থকা মানে—কেঁচুৱা হৈ থকা। হ'লনে?

শুনি ৰামৰাজৰ মুখৰ মাত হৰিল আৰু তেওঁৰ উদফাই কম হোৱা যেন লাগিল।



চান্দমামা ক্রোড়পত্র-৬৪

ভাৰতৰ পশু-পক্ষী ঃ

শান্তিৰ বাৰ্তাবাহী

বাইবেলীয় যুগৰ 'সৃষ্টিৰ কাহিনী'ত, অৰ্থাৎ আদি-পুস্তকত মহাপ্লাৱন আৰু নোহ্ বা নোৱাৰ নাৱৰ (Noah's Ark) কাহিনীভাগ বহুতেই জানে। সৃষ্টি ধ্বংসকাৰী ঈশ্বৰ সৃষ্ট মহাপ্লাৱনত যেতিয়া সকলো তল গ'ল, তেতিয়া ঈশ্বৰৰ আদেশত নোহ্ বা নোৱাই তেওঁৰ নাৱত উঠাই লোৱা সৃষ্টিৰ প্ৰায় প্ৰতিবিধ প্ৰাণীৰ এহালকৈ প্ৰাণীৰ মাজত কপৌও আছিল অন্যতম। মহাপ্লাৱনৰ অন্তত পুনৰ ভূমি ভাগৰ সন্ধানত নোহ্ বা নোৱাই কপৌ এটিক পঠাইছিল, আৰু দুবাৰ ব্যৰ্থতাৰ অন্তত তৃতীয় বাৰত শুকান বেলফৈ বা জলফাই গছৰ ঠাৰি ঠোঁটেৰে কঢ়িয়াই আনি শুষ্ক ভূমিভাগৰ সন্ধান আনি দিছিল। আজিৰ দিনতো, শান্তিৰ বতৰা লৈ কপৌ-কটকীয়ে অ'লৈ-ত'লৈ অহা-যোৱা নকৰা নহয় আৰু আজিও শান্তি-কপৌৱে তাৰ ঠোঁটত শুকান ঠাৰি কঢ়িয়াই লৈ যোৱা হয়। এনে শান্তিৰ বাৰ্তাবাহীৰ সৈতে কোনোবাই কাজিয়া কৰিবনে ? নকৰে।



কপৌ দেখাত হুবহু পাৰ চৰাইৰ দৰে, কিন্তু আকাৰত পাৰতকৈ চুটি। সাধাৰণ কপৌৰ ডিঙিত ঘূৰণীয়াকৈ ক'লা দাগ পৰিলক্ষিত হয়। গাৰ বৰণ সাধাৰণতঃ মটীয়া-বগা। কপিলা বৰণীয়া কপৌবোৰ আকাৰত তেনেই চুটি। ইয়াৰ গাত দুয়ো ফালে আৰু ডেউকাৰ ওপৰতো মটীয়া বৰণৰ দাগ আছে।

ৰঙচুৱা বৰণৰ কপৌবোৰ হ'ল আটাইতকৈ ডাঙৰ কপৌ। ইয়াৰ ডিঙিৰ দুকাষত ক'লা-নীলা দাগ পৰিলক্ষিত হয়। ইয়াৰ বগা বা পাতল-ক'লা বৰণীয়া ফিচা দীঘল হয়। ফুটফুটীয়া কপৌবোৰ অন্যান্য বিধৰ কপৌৰ তুলনাত দেখাত অধিক ধুনীয়া। ফুটফুটীয়া কপৌৰ ডিঙিতো ক'লা আৰু ধকধকীয়া বগা ফুটকা-ফুটকি দাগ আছে আৰু এইবোৰ দাগ দেখাত সাইলাখ দবাখেলৰ চাল যেন।

ভাৰতৰ আধুনিক চিত্ৰশিল্পী

ৰবীন্দ্ৰনাথ ঠাকুৰ

মহান কবি ৰবীন্দ্ৰনাথ গৈ আছিল পেৰুলৈ। কিন্তু জাহাজতে তেওঁ অসুস্থ হৈ পৰিল।

জাহাজৰ ডাক্টৰে, আৰু তেওঁৰ অন্যান্য শুভাৰ্থীয়েও তেওঁক যাত্ৰাভংগ কৰিবলৈ অনুৰোধ কৰিলে আৰু কিছুদিনৰ জিৰণিৰ বাবে তেওঁলোকে তেওঁক বুয়েনছ অ্যায়ৰিছ নামৰ ঠাইলৈ লৈ গ'ল।

তাত, কবিৰ গুণগ্ৰাহী ভিক্‌ট'ৰিয়া ওকাম্পো নাম্নী মহিলা এগৰাকীয়ে কবিক আদৰি ল'লে আৰু কবি ভিক্‌ট'ৰিয়াৰ গৃহতে থাকিল। তাত তেওঁ ক্ৰমাত সুস্থ হৈ উঠিল, আৰু পুনৰ কবিতা লিখিবলৈ ধৰিলে।

কিন্তু তেওঁ তাত আন এটি কামও কৰি আছিল।

এদিন ভিক্‌ট'ৰিয়াই কবিৰ নোটবহী এখনৰ পাত এনেয়ে লুটিয়াই থাকোঁতে তেওঁ সেই নোটবহীৰ পাত-বিভিন্ন চিত্ৰৰ স্কেচ্‌ দেখা পাই মুগ্ধ হ'ল। এই স্কেচ বা ৰেখাচিত্ৰসমূহ আছিল অতি নয়নাভিৰাম তথা পৰিপূৰ্ণ দক্ষতাৰে অঁকা মহামূল্যৱান অসংখ্য ৰেখাচিত্ৰ।

"আপুনি কিমান উচ্চস্তৰৰ তথা বিস্ময়কৰ চিত্ৰশিল্পী—আপুনি জানেনে?" ভিকট'ৰিয়াই কবিক সুধিলে। কিন্তু কবিয়ে তেওঁৰ এই বিষয়ে দক্ষতাৰ কথা একো জনা বুলি বোধ নহ'ল। কিন্তু এই কথাত ভিকট'ৰিয়া ওকাম্পোৰ মনত কোনো সন্দেহ নাথাকিল যে—তেওঁ এইজনা মহান কবিৰ মাজত থকা এই গুপ্ত বা সুপ্ত বিস্ময়কৰ প্ৰতিভাকো আৱিষ্কাৰ কৰিছে! ভিকট'ৰিয়াই কবিক টানি অনুৰোধ জনালে—চিত্ৰশিল্পীৰূপে তেওঁৰ সত্বাক বিকশিত কৰিবলৈ।

তেতিয়া ১৯২৪ চন। কবিৰ বয়স তেতিয়া সাতষষ্ঠি। কিন্তু সেই চিৰ-সেউজ কবিজনাই ভিকট'ৰিয়াৰ কথা দলিয়াই নেপেলাই চিত্ৰৰ পাছত চিত্ৰ সৃষ্টি কৰিবলৈ ধৰিলে। এই ঘটনাৰ পাছত তেওঁ আৰু সোতৰ বছৰলৈ জীয়াই আছিল. আৰু সেই সোতৰ বছৰকাল ধৰি তেওঁ কবিতা সৃষ্টিৰ লগে লগে চিত্ৰ-সৃষ্টিও কৰিছিল।

তেওঁ সাধাৰণতঃ কাগজত সাধাৰণ চিয়াহীৰেই চিত্ৰসৃষ্টি কৰিছিল। মানুহৰ মুখৰ অভিব্যক্তি, পক্ষীৰ অভিব্যক্তি, প্ৰাকৃতিক দৃশ্যাৱলী আদি আছিল তেওঁৰ প্ৰিয় বিষয়বস্তু। তেওঁৰ চিত্ৰসৃষ্টি আছিল সম্পূৰ্ণৰূপে তেওঁৰ নিজস্ব আৰু অদ্বিতীয়। তেওঁৰ চিত্ৰসৃষ্টিত পাশ্চাত্য প্ৰভাৱ নথকা নাছিল কিন্তু তেওঁৰ চিত্ৰসৃষ্টিৰ মূল তত্ত্ব আছিল—আন্তৰ্জাতিক।

ভাৰতৰ এইজনা মহান কবি-সংগীতবিদ-চিত্ৰশিল্পী ১৯৪১ চনত দেহান্তৰিত হোৱাৰ আগলৈকে তেওঁৰ সুবিপুল সাহিত্য আৰু কাব্য-মূলক কৰ্মধাৰাৰ মাজতো প্ৰায় ২৫০০ চিত্ৰ সৃষ্টি কৰি থৈ গ'ল।

জানো নে ?

১. আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ পতাকাত কিমান ৰেখা আছে ? ৰেখাসমূহৰ অৰ্থ ?

২. নাট্যশাস্ত্ৰৰ প্ৰণেতা হ'ল ভৰতমুনি। ভাৰতীয় সংগীতৰ মূল ভিত্তিৰো তেখেঁই প্ৰণেতা বুলি কোৱা হয়। সেইবোৰ কি কি ?

৩. ইতালিদেশত এটা পাচলিক 'সোণৰ আপেল' বুলি কোৱা হয়। সেইটো কি ?

৪. কোনগৰাকী ইংৰাজ কবিক 'কবিকুলৰ কবি' বুলি কোৱা হয় ?

৫. 'কাবুকি' নাট চাবলৈ ক'লৈ যাব লাগিব ?

৬. এবিধ ফুলপুলি আন ঠাইৰপৰা ভাৰতলৈ লৈ অহা হৈছিল, আৰু যি ঠাইৰপৰা লৈ অহা হৈছিল সেই ঠাইত সেই ফুল নোহোৱা হৈছিল কিন্তু ভাৰতত ফুলে ফুলে জাতিষ্কাৰ হৈ পৰিছিল সেই ফুলৰ আৰু সেই ঠাইৰ নাম ?

৭. ১৯১৮ চনত আইছল্যাণ্ডে কাৰপৰা স্বাধীনতা লাভ কৰিছিল ?

৮. কোনগৰাকী মহিলাই অকলশৰে ইংল্যাণ্ডৰপৰা অষ্ট্ৰেলিয়ালৈ উৰি গৈছিল ?

৯. পৃথিৱীৰ আটাইতকৈ বৃহৎ খৃষ্টীয় গিৰ্জা ?

১০. এটি দ্বীপ ৰোমৰ প্ৰদেশৰূপে গণ্য হোৱাত এখন সাম্ৰাজ্যৰ সৃষ্টিৰ সম্ভাৱনা সৃষ্টি হৈছিল। কোন দ্বীপ ? কেতিয়া ?

১১. ৰজা কুমাৰগুপ্ত আৰু তেওঁৰ পুত্ৰ স্কন্দগুপ্তৰ সমসাময়িক বিখ্যাত জ্যোতিৰ্বিদ ?

১২. গ্ৰেট বৃটেইন আৰু আয়াৰল্যাণ্ড এক ৰাজ্যভুক্ত হৈ থকাকালত এগৰাকী ৰাণীয়ে শাসন কৰিছিল। কোন ?

১৩. কৃষ্ণকায় নেতা মাৰ্টিন লুথাৰ কিং কোনখন নগৰত জন্মগ্ৰহণ কৰিছিল ?

১৪. পৃথিৱীৰ সৰ্বাধিক টিন অৰ্থাৎ ৰঙীতাম উৎপাদক দেশ ?

১৫. ভাৰতৰজাতীয় পতাকাৰ 'ধৰ্মচক্ৰৰ' দৰে পৃথিৱীৰ সকলো দেশৰ পতাকাতে কিবা নহয় কিবা চিন আছে। কেৱল এখন দেশৰ পতাকাত নাই কোনখন দেশ ?

উত্তৰ

১. তেৰ। যি তেৰখন উপনিবেশে ইংল্যাণ্ডৰ বিৰুদ্ধে যুঁজিছিল।

২. ভাব, ৰাগ আৰু তাল।

৩. টোম্যাটো।

৪. এডমাণ্ড স্পেনজাৰ (১৫৫২-৯৯)।

৫. জাপানলৈ।

৬. মাদাগাস্কাৰৰ গুলমোহৰ ফুল।

৭. ডেনমাৰ্কৰপৰা।

৮. অ্যামি জনচন।

৯. ছেইণ্ট পিটাৰ্চ ব্যাছিলিকা।

১০. ছিছিলি, ২৪১ খৃষ্ট-পূৰ্বাব্দত।

১১. আৰ্য্যভট্ট। ৫০০ খৃষ্টাব্দৰ ওচৰাউৰিচ কালত তেওঁ 'আৰ্য্যভট্টীয়' ৰচনা কৰিছিল।

১২. ৰাণী অ্যান।

১৩. অ্যাটলাণ্টা, আমেৰিকা।

১৪. মালয়েছিয়া।

১৫. লিবিয়া। লিবিয়াৰ পতাকা শুধ সেউজ বৰণৰ, তাত আন কোনো চিন নাই।

জীৱন-সত্য

নীলিমা চহৰতে ওপজা আৰু চহৰতে ডাঙৰ-দীঘল হোৱা। এয়ে প্ৰথমবাৰৰ বাবে তাই তাইৰ দেউতাকৰ সৈতে আহিল গাঁৱলৈ। দেউতাক নীলাম্বৰ আছিল চহৰৰ গণ্য-মান্য হীৰাৰ বেপাৰী। দূৰ-সম্পৰ্কীয় ভনীয়েকৰ ছোৱালীৰ বিয়া, সেই উপলক্ষ্যে গাঁৱত ভৰি দিয়া।

বিয়া হৈ যোৱাৰ পাছতেই জল্‌দি জল্‌দিকৈ খোৱা-বোৱা কৰি পুনৰ চহৰলৈ যাবলৈ খৰখেদা লগালে নীলাম্বৰ ডাঙৰীয়াই। আৰু ঠিক তেতিয়াই নীলিমাই দেউতাকক ক'লে, "গাঁৱৰ ইমান যে ধুনীয়া ফুলনি—সেই টিলাৰ ওপৰত থকা মন্দিৰ—টিলাৰ সিফালে ইমান যে গছে-বনে ভৰপূৰ—একেবাৰে যেন ৰংঘৰ ৰংপুৰ। দে'তা, মই ইয়াত কে'দিনমান থাকিম বুলি ভাবিছোঁ।"

নীলাম্বৰ ডাঙৰীয়াই তাইক মানা কৰিব বুলি মুখ মেলোঁতেই আন এজনী ভাগিনীয়েক কমলাই কৈ উঠিল, "মামা, নীলিমা থাকক, মই নিজেই তাইক লৈ যাম চহৰলৈ, আপুনি চিন্তা নকৰিব।"

অতঃপৰ নীলাম্বৰ ডাঙৰীয়া গুচি গ'ল, নীলিমা গাঁৱতে থাকি গ'ল।

সদায় তাই বোৱাৰীপুৱাতে সাৰ পায়, হাত-মুখ ধুই ফুলনিত ইচ্ছামতে ফুৰে, মন্দিৰলৈ যায়, পূজা আগ কৰে—দিনবোৰ-ৰাতিবোৰ কেনেকৈ যে পাৰ হৈ যায়!

এদিন কমলাজনী নোলাল। তাইৰ সামান্য জ্বৰ। কিন্তু নীলিমা ওলাল। অকলেই। তাই ফুলনিৰ মাজত ঘূৰি ফুৰিবলৈ।

হঠাৎ তাইৰ ভৰিত কাঁইটে বিন্ধা দি কিবা যেন বিন্ধাত তাই তলমূৰ হৈ চালে

কল্যাণী কলিতা

ভৰিলৈ। আৰু তাই দেখা পালে। এডাল কিচ কিচ কৰে ক'লা সাপ। তাইক এই সাপটোৱেই খুটিলে—এই উপলব্ধিৰ লগে লগেই তাই অচেতন হৈ বাগানতে বাগৰি পৰিল।

তাৰ পাছত তাই যেতিয়া চেতনা ঘূৰাই পালে, তেতিয়া তাই অচিনাকি ঘৰ এটাত খাট এখনৰ ওপৰত শুই আছিল আৰু তাইৰপৰা অলপমান আঁতৰত বহি আছিল এজন অচিনাকি যুৱক।

যুৱকে নীলিমাক সুধিলে, "এতিয়া কেনে পাইছা? ভালনে?"

নীলিমাই মূৰ দুপিয়াই উত্তৰ দিলে।

নীলিমাই খাট এৰি নামিবলৈ চেষ্টা কৰোঁতেই যুৱকে কৈ উঠিল, "ওহোঁ, নহয়, নানামিবা। আৰু অলপ পৰ শুই থাকা, জিৰণি লোৱা, তোমালোকৰ ঘৰলৈ খবৰ পঠোৱা হৈছে, আহি পাবহিয়েই আৰু।"

যুৱকৰ কথা শেষ হোৱাৰ লগে লগেই কমলাৰ মাক-দেউতাক উপস্থিত হ'লহি। তেওঁলোকে নীলিমাক সুস্থ অৱস্থাত দেখা পাই অতি আনন্দিত হ'ল। কমলাৰ মাকে সেই যুৱকৰ দুয়োখন হাতত ধৰি ক'লে, "বোপা ৰাজেশ, সাপে খোটাৰ পাছত অচেতন হৈ ফুলনিত পৰি থকা তাইক তুমি লৈ নহাহেঁতেন—তাই নিশ্চয় তাতেই ঢুকাই থাকিলহেঁতেন।"

ৰাজেশে ক'লে, "কিন্তু—তেওঁক এতিয়া আপোনালোকে লৈ নাযাব। চিকিৎসা চলিছে। কালিলৈ লৈ যাব।"

পাছদিনা পৰিপূৰ্ণ সুস্থ হৈ নীলিমা কমলাহঁতৰ ঘৰলৈ উভতি আহিল। কমলাৰ মাকে ৰাজেশৰ কথা গোটেই দিনটো ধৰি কৈয়েই থাকিল। ৰাজেশৰ দেউতাকো যে আছিল গাঁৱৰ বিনামূলীয়া বেজ, আৰু তাৰ দেউতাকৰ মৃত্যুৰ অন্তত ৰাজেশেও যে সেই বেজালি এৰা নাই—সেইবোৰ নানান প্ৰশংসাৰ কথা।

নীলিমাই তাৰ পাছতো সাতদিন

গাঁৱতে আছিল, আৰু এই সাতদিনত কেইবাবাৰো ৰাজেশৰ সৈতে দেখাও কৰিছিল তাই।

এদিন তাই ৰাজেশক ক'লে, "মোৰ জীৱন—আপুনিয়েই ঘূৰাই দিলে। আপুনি মোক—ক'বলৈ গ'লে—পুনৰ্জন্মহে দিলে। গতিকে—মোৰ জীৱনত আপোনাৰ পূৰ্ণ অধিকাৰ। যদি আপোনাৰ আপত্তি নাই—মই আপোনাক জীৱন-লগৰী ৰূপে ল'বলৈ সাজু।"

ৰাজেশে চিন্তিত ভাৱে ক'লে, "কিন্তু তোমালোকৰ লগত আমাৰ জীৱনধাৰাৰ বিস্তৰ প্ৰভেদ। গতিকে—সম্ভৱ নহয়।"

"কিন্তু মই আন কাকো মোৰ জীৱন-লগৰী ৰূপে ল'ব নোৱাৰিম।"

নীলিমাৰ কথাৰ উত্তৰত ৰাজেশে ক'লে, "তুমি তোমাৰ ঘৰলৈ গৈ কথাটো সুধিবা—আৰু পাছত মোক জনাবা।"

নীলিমা চহৰলৈ উভতি গ'ল আৰু সকলো বৃত্তান্ত মাক-দেউতাকক ক'লে। তাই ঘটনাৰ বিৱৰণৰ অন্তত অতি ধীৰ কিন্তু স্পষ্টভাৱে ক'লে, "ৰাজেশ হ'ল মোৰ প্ৰাণদাতা।"

আৰু—পাছদিনাই নীলাম্বৰ ডাঙৰীয়া পুনৰ সেই গাঁৱলৈ গ'ল ৰাজেশৰ সৈতে কথা পাতিবলৈ।

নীলাম্বৰ ডাঙৰীয়াই গধূলি পৰতে পুনৰ চহৰ পালেহি। তেওঁ তেওঁৰ পৰিবাৰক আৰু জীয়েক নীলিমাকো ক'লে যে এই বিয়া নহ'ব।

নীলিমাই তাইৰ দেউতাকৰ কথাৰ উত্তৰত একো নক'লে।

পৰিবাৰে 'কি হ'ল—' বুলি সোধাত নীলাম্বৰে ক'লে, "ৰাজেশৰ বক্তব্য হ'ল যে—বিয়াৰ পাছত চহৰলৈ আহি আমাৰ ঘৰ-জোঁৱাই হিচাপে সি থাকিব নোৱাৰে। সি তাৰ দেউতাৰাই কৰা বিনামূলীয়া বেজালিৰ কামকে কৰি থাকিব আৰু তাৰ কাৰণে সি তাৰ সেই ঘোকোট গাঁৱতে



থাকিব। এই বৈদ্যবৃত্তি—তথা বিনামূলীয়া বেজালিয়েই হেনো তাৰ জীৱন-সত্য এই ধৰ্মক পালিবলৈ সি গাঁৱতে থাকি গাঁৱৰ ৰাইজৰ সেৱাতে জীৱন কটাব।"

পৰিবাৰে বা নীলিমায়ো একো উত্তৰ নিদিয়াত নীলাম্বৰেই পুনৰ ক'লে, "কিন্তু—আমাৰ বেহা-বেপাৰৰ তত্ত্বাৱধান কৰা—চোৰা-চিন্তা কৰা তাৰো কাম নহ'ব কিয়? তাক মই বহুত ধৰণে বুজালোঁ, সি নুবুজাই নুবুজিব বুলিয়েই খাটাং কৰিছে।"

পাছদিনাই নীলিমা গ'ল ৰাজেশৰ ওচৰলৈ। তেতিয়া ৰাজেশে খোৱা-বোৱা কৰি জিৰণি ল'বলৈ যো-জা কৰিছেহে মাথোন। নীলিমাক দেখা পায়েই ৰাজেশে কৈ উঠিল, "তুমি! এনে সময়ত? কথানো কি? বহাঁ, বহাঁ। অগতে তোমাৰ খোৱা-বোৱাৰ বন্দৱস্ত কৰোঁ, পাছত তোমাৰ কথা শুনিম।"

নীলিমাই ক'লে, "মই খাই-বৈ আহিছোঁ, গতিকে—সেইবোৰ বন্দৱস্তৰ দৰ্কাৰ নাই। মোৰ বক্তব্য হ'ল—তোমাৰ নিজৰ কথা কৈ কৈ আমাৰ দেউতাৰ আগত যিখন দীঘলীয়া ভাষণ দিলা—তাৰ ইফাল-সিফাল নহ'বইনে? মোৰ কথাটোও ভাবা, দেউতাৰ অবিহনে তেওঁৰ হীৰাৰ বেপাৰৰ দায়িত্ব মই লোৱা উচিত নহ'বনে? জীৱন-ধৰ্ম পালনত নিশ্চয় স্ত্ৰী-পুৰুষ একেই সমান।"

ৰাজেশে মিচিকীয়াই হাঁহি মাৰি—কাষতেই থকা থালী এখনত থৈ দিয়া আম কেইটুকুৰামান নীলিমালৈ আগ বঢ়াই দিলে আৰু ক'লে, "এই আমখিনি খোৱা আৰু মাথা ঠাণ্ডা কৰা।"

"খাই আহিছোঁ বুলি ক'লোঁৱেই নহয়? মোৰ কথাৰ উত্তৰ দিয়া, মই গুচি যাম।" নীলিমাই ক'লে।

ঠিক তেতিয়াই মগনিয়াৰ এজন আহিল আৰু ৰাজেশে আমখিনি মগনিয়াৰ-জনক দিলে। তাৰ পাছত ৰাজেশে

নীলিমাক ক'লে, "তুমি পেট পূৰাই খাই-বৈ আছিছা। আৰু মই—আমখিনি ভিখাৰীটোক দিলোঁ। নোখোৱাটো তোমাৰ ধৰ্ম, আনক খুউৱাটো মোৰ ধৰ্ম। গতিকে—আমাৰ ধৰ্ম অলপ বেলেগ বেলেগ। তোমাৰ দেউতাৰ হীৰাৰ বেপাৰ বন্ধ হয় যদি—আন কাৰো কোনো অনিষ্ট নহ'ব। কিন্তু আমাৰ বেজালি বন্ধ হয় যদি—গাঁৱৰ হাজাৰ-বিজাৰ বিমোৰত পৰিব। কেৱল এইখন গাঁৱতে, নহয় আশ-কাষৰ দহোখন গাঁৱতো কোনো বেজ-বৈদ্য নাই, বা ইয়ালৈ কোনো চিকিৎসক নাহিবও। কিয়নো—গাঁৱত—চিকিৎসকক ভৰিবলৈ কাৰ কিমান পইচা আছে? নাই। গতিকে—জানি-বুজিও মই গাঁৱৰ অসহায় দুখীয়া-ভুকীয়াসকলক কেনে-কৈনো এৰি গুচি যাম? আৰু যদি এনে অধৰমী আচৰণ কৰিব পাৰোঁৱেই—কেতিয়াবা এই অধৰমী আচৰণে আনকি তোমাকো খাব-খুটিব পাৰে দেখোন! অন্যান্য কথাৰ লগত এই সামান্য-পাধাৰণ কথাটোও ভাবি চাবা।

ৰাজেশৰ কথাত এইবাৰ নীলিমাই যেনিবা এক নতুন জীৱন-সত্যক জানিলে। তাই আত্মস্বাৰ্থৰ সিপাৰে এক নতুন জগতৰ দেখা পালে আৰু তাই তৎক্ষণাৎ বহাৰপৰা উঠি থিয় হ'ল।

অবাক হৈ পৰা ৰাজেশে নীলিমাক সুধিলে, "কি হ'ল, কিবা নোকোৱাকৈয়েই উভতি খোজ লৈছা যে—?"

"ক'বলগীয়া বিশেষ একো নাই। আজি মই—এক নৱ জীৱন-সত্যক জানিলোঁ। ঠিক আছে—তুমি চহৰলৈ যাব নালাগে, ময়েই দেউতাক বুজাই-বৰাই তোমাৰ ওচৰলৈ আহিম আৰু এই জীৱন-ধৰ্ম ময়ো পালন কৰিম।"

এই বুলি কৈ, ৰাজেশক হতবাক কৰি থৈ, নীলিমাজনী ধীৰ খোজেৰে গুচি গ'ল।



মিঠাকথাৰ গুৰি-কথা

নৰাম আছিল গাঁৱৰ এজন সমৃদ্ধ খেতিয়ক। নৰামে ভাবিছিল : কেৱল এইখন গাঁৱতে নহয়, ওচৰ-পাজৰৰ, বা ক'ব পাৰি, সেই অঞ্চলতো তেওঁৰ মান ধনত শিতান দি থকা কোনো নাই।

নৰাম সঘনে নগৰলৈ যায় আৰু য'ত যি নতুন বস্তু সামগ্ৰী পায়—লৈ আহে—চুবুৰীয়াই তেওঁৰ ঘৰত বস্তুবোৰ দেখা পোৱাকৈ থয়। নৰামে ন-দি কয় : দামী-নামী বস্তুৰ স্বৰ্গ যদি ক'ৰবাত আছে, তেওঁৰ ঘৰতে আনকি সঁচা স্বৰ্গতো নাই।

কিন্তু এদিন কথাই কথাই ছিদিৰ বুঢ়াই যেতিয়া নৰামক খবৰ এটি দিলে, তেতিয়া হঠাৎ নৰাম নৰম হৈ পৰিল। ছিদিৰ-বুঢ়াই নৰামক ক'লে, "বোলোঁ শুনিছেনে কথাটো? আমাৰ গাঁৱৰ গোবিন্দাৰ ঘৰত যে কথাবাহী ভাটৌ এজনী আছে—"

শুনি নৰামৰ যেনিবা ন-নাড়ী উভাৰ দি আহিল। তেওঁ মুখেৰে একো নক'লে, পোনে পোনেই গোত-গিয়াতিৰ আলগ গোবিন্দাৰ ঘৰলৈ বুলি খোজ বঢ়া'লে।

তেওঁহেন নৰাম যে গোবিন্দাহেন গু-খোৱাৰ পো-ৰ ঘৰলৈ আহিছে, সেই কথা চুবুৰীয়াই নজনাই ভাল। গতিকে—সামান্য গলহেঁকাৰি মাৰিলে। লগে লগেই ঘৰৰ ভিতৰৰপৰা কোনোবাজনীয়ে স্পষ্ট মাতেৰে কৈ উঠিল,—আহক, সোমাই আহক, তেওঁ ঘৰতে আছে।"

এইজনীয়েই আছিল সেইজনী। সেই ভাটৌজনী। কথা শুনি কাণ্ড চাই নৰামৰ বিস্ময়ৰ সীমা নাথাকিল। আৰু—ইতিমধ্যে গোবিন্দাও তালৈ আহিল।

প্ৰতাপ পাঠক

নৰামে লুক-ঢাক নকৰাকৈ য়েই কথাটো ক'লে গোবিন্দাক।

শুনি গোবিন্দাই হাঁহি মাৰি ক'লে, "কিছুদিনৰ আগতে পৰ্বতীয়া মানুহ এজনৰপৰা এইজনীক কিনিছিলোঁ আৰু তাৰ পাছত তাইক ভাল ভাল মাত-কথা শিকালোঁ। এতিয়া তাই—নিশিকালেও নিজে নিজেই ঢেৰ মাত-কথা শিকে, কয়।"

ন-ৰামে ক'লে, "যদি বেয়া নোপোৱা—কথা এটা ক'ৰেই—। মই মুদ্ৰা এশটি দিম ভাটৌজনী মোক দিয়া।"

তাৰ পাছত চলি থাকিল দুয়োৰো মাজত টনা-আঁজোৰা। গোবিন্দাই নিদিব-নেৰেচিব, নৰামেও ল'বই ল'ব। নৰামে গোবিন্দাক ডাবিছুঁকি প্ৰলোভন মিঠা-তিতা—সকলো প্ৰকাৰেই কৈ চালে, কিন্তু গোবিন্দাক একোপধ্যেই পোনাব নোৱাৰিলে। শেষত যেতিয়া প্ৰায় কন্দনামুৱা হৈ প্ৰায় ভৰিত ধৰাকৈ ক'লে, তেতিয়া গোবিন্দাই কিবা কথা এটা ভাবি—মান্তি হৈ দিলে আৰু হেজাৰ মুদ্ৰাৰে ভাটৌজনীক কিনি লৈ নৰামেও ৰাম ৰাম বুলি কৈ ঘৰমুৱা হৈ খোজ বঢ়ালে।

কিন্তু সাত দিনৰে পাছতেই সেই ভাটৌজনীক নৰামে আকৌ এদিন গোবিন্দাৰ ঘৰলৈ লৈ আহিল।

নৰামে গোবিন্দাক ক'লে যে—ইয়াত ইমান মিঠা মিঠা কথা কোৱা ভাটৌজনীয়ে তেওঁৰ তাত হেনো কেৱল গালিহে পাৰে, কেৱল সাধাৰণ গালি-গালাজেই নহয়—নানান ধৰণৰ অবাইচ মাতো মাতে। এগৰাকী মহিলাক ভাটৌজনীয়ে 'খেকাৰখাতী নিলাজী' বুলি কৈছিল, নৰামৰ এজন বিশিষ্ট বন্ধুৱে ভাটৌজনীক আদৰ কৰিবলৈ ধৰাত ভাটৌজনীয়ে সেই বন্ধুজনক 'হেৰ গু-খোৱাৰ পো' বুলি কৈছিল, আন এজনক 'শনিপাট'। এইদৰে, ভাটৌজনীয়ে সদা-সৰ্বক্ষণেই সকলোকে গালিৰে তেভূত কৰিছে, ভকৰা মাত্

মাতিছে, গতিকে—গোবিন্দাই ভাটৌ-জনীক ওভোতাই লওক আৰু মুদ্ৰা এহেজাৰো ওভোতাই দিয়ক—আৰু লেঠা ছিগক।

কিন্তু গোবিন্দাই একোপধ্যে ভাটৌ-জনীক ওভোতাই নল'ব। গোবিন্দাই ক'লে যে—ভাটৌজনী এতিয়া নৰামৰ, নৰামে যি মন যায় কৰিব পাৰে, ভাটৌজনীক লৈ যাব পাৰে, বা এৰি দিবও পাৰে।

আৰু নৰামে খঙতে ভাটৌজনীক এৰিয়েই দিলে, সজাটো আছাৰ মাৰি ভাঙি পেলালে আৰু গোবিন্দাৰ ঘৰৰ চোতালত থু পেলাই ফুপহুপনি তুলি উভতি খোজ ল'লে।

নৰাম গুচি যোৱাৰ পাছত গোবিন্দাৰ ঘৈণীয়েকে গোবিন্দাক ক'লে, "ভাটৌ জনীক এৰি দিলে কি হ'ব তাই ক'লৈকো যোৱা নাই, আমাৰ ঘৰতে সোমাই সৌ তাত বহি আছে। তাইক যেনেতেনে খেদিব লাগে।"

"নেখেদিবা।"

"কিন্তু তাই মৰতীয়ে যে তেনেকৈ গালি পাৰি থাকিব—? কেনেকৈ তাইৰ মুখত সোপা দিম?" ঘৈণীয়েকে ঘেং কৰি উটি ক'লে।

"ঘৰত যে বাদাম আছে—তাইক খাবলৈ দিয়া। চাবা—তাই কিমান মিঠা মাত মাতিব। নৰামে জুলুম কৰি তাইক লৈ গৈছিল, কিন্তু এই 'বাদাম-ৰহস্য'ৰ কথা তাক মই কোৱা নাছিলোঁ। সি যে ভাটৌজনীক এদিন-নহয়-এদিন ওভোতাই লৈ আহিবই—মই জানিছিলোঁ। ভাটৌৰ বা মানুহৰো মিঠাকথাৰ গুৰিকথা এয়ে।"

এই বুলি কৈ হাঁহি হাঁহি ফট ফটকৰে চটি জোতা কোবাই চাই বাট বুলা গোবিন্দাই ক'ৰবালৈ বুলি বাট ল'লে।

৪৬

কৃষ্ণ দ্বাপৰ যুগত যদু বংশত জন্মগ্ৰহণ কৰিছিল। কৃষ্ণই কংসৰদৰে অত্যাচাৰী-ইঁতক বধ কৰিছিল আৰু প্ৰজাবৰ্গক মুক্ত কৰিছিল। কৃষ্ণৰ ককায়েক বলৰাম যাদৱ-কুলৰ নেতা হৈ ৰাজ্য-ভাৰ চম্ভালিছিল। নৰকাসুৰক নিধন কৰাৰ কালত কৃষ্ণই সত্যভামাকো লগত লৈ গৈছিল। সত্য-ভামাই এই কাৰ্য্যত কৃষ্ণক সহায় কৰিছিল আৰু কৃষ্ণৰ আঠোগৰাকী পত্নীৰ মাজত নিজক অগ্ৰগণ্য বুলি বোধ কৰিছিল।

এনেতে এদিন নাৰদমুনি দেৱলোকৰ-পৰা পাৰিজাত পুষ্প লৈ আহিল আৰু তেওঁ কৃষ্ণ-পত্নী ৰুক্মিণীক সেই পাৰিজাত পুষ্প দিলে। এই কথা জানি সত্যভামাই জেউৰ ধৰিলে যে—পাৰিজাত পুষ্প কেৱল তেওঁৰহে প্ৰাপ্য, কিয়নো তেওঁ কৃষ্ণৰ শ্ৰেষ্ঠতমা ধৰ্মপত্নী। পাৰিজাত পুষ্প নাৰদ-মুনিয়ে ৰুক্মিণীক দিয়াৰ অৰ্থ হ'ল তেওঁৰ ঘোৰতৰ অপমান।

তেতিয়া কৃষ্ণই গৰুড়-বাহনত উঠি স্বৰ্গলোকলৈ গৈ পুষ্পৰে সৈতে পাৰিজাত বৃক্ষকে উপাৰি লৈ আহিবলৈ ধৰাত দেৱৰাজ ইন্দ্ৰই গৰুড়পক্ষীলৈ বজ্ৰায়ুধ নিক্ষেপ কৰিলে। কিন্তু গৰুড়ে তেওঁৰ ডেউকাৰে ইন্দ্ৰৰ বজ্ৰায়ুধক ওফৰাই পেলালে। তেতিয়াৰ পৰা গৰুড়ো অহংকাৰী হৈ উঠিল।

সত্যভামাই পাৰিজাত বৃক্ষ ঘৰৰ পিছ-

পাৰিজাত-হৰণ

ফাল্গ কৰে আৰু এতিয়া তেওঁ যথেষ্ট গৰ্বিত বোধ কৰিলে, কিয়নো সতিনীয়েক ৰুক্মিণীক আৰু লগতে নাৰদমুনিকো এশিকা দিব পাৰিছে তেওঁ আৰু তেৱেঁই যে কৃষ্ণৰ সৰ্বপ্ৰধানা—সেই কথাও দেখ-দেখকৈ প্ৰমাণ কৰিব পাৰিছে তেওঁ।

বলৰামে ভালেমান দুষ্টৰ সংহাৰ কৰিছিল। বলৰামে নৰকাসুৰৰ পৰম বন্ধু দ্বিদ নামৰ ভয়ংকৰ নৰ-বানৰক বধ কৰিছিল। এইবোৰ সফলতাই বলৰামকো মদগৰ্বী কৰি তুলিছিল। বলৰামে ভাবিছিল যে তেওঁৰ সমান বলৱান ত্ৰিজগততে নাই।

এইদৰে, দিনক দিনে সত্যভামা, গৰুড় আৰু বলৰাম—এই তিনিও শক্তিৰ বৰাই কৰি থাকিল। এওঁলোকৰ দাম্ভিকতা গগনচুম্বী হৈ উঠিল।

কৃষ্ণই এইবোৰ কথা নজনাকৈ নাছিল। এই তিনিওকো শিক্ষাদান কৰাৰ বাবে কৃষ্ণই উপযুক্ত সময়লৈ ৰৈ আছিল, কিন্তু তেওঁ তেওঁৰ এই মনোভাৱ ঘুণাক্ষৰেও প্ৰকাশ কৰা নাছিল।

এবাৰ গৰুড়ে এটি সৰ্পশিশুক ধৰি খাবলৈ চেষ্টা কৰাত সৰ্পশিশুটিৰ মাকে শিশুটিক মুখেৰে কামুৰি লৈ তীব্ৰ গতিৰে পলায়মান হ'ল আৰু 'ৰক্ষা কৰা, ৰক্ষা কৰা' বুলি আৰ্তনাদ কৰি থাকিল। এইদৰে, তীব্ৰ গতিৰে পলাই গৈ গৈ, সৰ্পশিশুটিৰে সৈতে মাতৃ কাঞ্চনহেলাই গন্ধমাদন পৰ্বত পালেগৈ, আৰু সৰ্পশিশুটিক ধ্যানমগ্ন হনুমানৰ পদপ্ৰান্তত থৈ কান্দি কান্দি কৈ কলেগৈ, "ৰক্ষা কৰাঁ—ৰক্ষা কৰাঁ! ৰাম! ৰাম!"

হনুমানে চকু মেলি চালে আৰু সৰ্প-মাতা কাঞ্চনহেলাক ক'লে, "মোৰ আশ্ৰমত নিডৰ-নিৰ্ভয় হৈ থাকাঁ।"

হনুমানে সৰ্পশিশুটিক ধৰি খাবলৈ খেদি অহা গৰুড় পক্ষীক ক'লে, "হে পক্ষীন্দ্ৰ! তুমি যদি অতি অতিশয় ক্ষুধাৰ্ত, মোকেই আহাৰ কৰাঁ।"

“মোৰ আহাৰ্য্য হ’ল নাগ—সৰ্প। তুমি হ’লা বানৰ। তোমাক মই কেনেকৈ আহাৰ কৰিম?” এই বুলি কৈয়েই গৰুড়ে সেই সৰ্পশিশুটিক ধৰিবলৈ আগ বাঢ়ি যোৱা মাত্ৰেই হনুমানে তেওঁৰ নেজেৰে গৰুড় পক্ষীক মেৰিয়াই ধৰি ইমান জোৰেৰে শূন্যলৈ দলিয়াই দিলে যে—গৰুড়পক্ষী পৰিলগৈ বলৰামৰ সমুখত।

কাঞ্চনহেলাই হনুমানক প্ৰণাম কৰি শিশুটিৰে সৈতে নাগলোকলৈ গুচি গ’ল।

আহত গৰুড়ক দেখি আৰু অপমানৰ কথা শুনি ক্ৰুদ্ধ ক্ষুব্ধ বলৰামে গৰুড়ক ক’লে, “গৰুড়, চিন্তিত নহ’বা। মই সেই বান্দৰটোৰ খবৰ ল’ম। মই যদি তাৰ নাকত কলাখাৰ নঘঁহিছোঁ, মোৰ নামেই বলৰাম নহয়। তুমি আকৌ তাৰ তালৈ যোৱা আৰু তাক—মই এহিক্ষণে মাতিছোঁ বুলি তুৰন্তে কোৱাগৈ। এয়া মোৰ আদেশ বুলি ক’বা তাক।”

গৰুড় আকৌ ভয়ে ভয়ে হনুমানৰ ওচৰলৈ গ’ল আৰু বলৰামৰ আদেশৰ কথা হনুমানক ভালেখিনিমান আঁ ত ৰ ৰ প ৰা ক’লে। হনুমানে গৰুড়ৰ কথাত কাণ খজুৱালে, টিকাও খজুৱালে, আৰু তাৰ পাছত হামিয়ালে মাথোন। ভাল বা বেয়া একোকে নক’লে তেওঁ।



দুনাই অপমান পাই গ ৰু ড় প ক্ষী বলৰামৰ ওচৰলৈ বুলি উৰিল।

কৃষ্ণই এনেহেন পৰিস্থিতিলৈহে ছেগ চাই আছিল। তেওঁ ঠিক তেতিয়াই দ্বাৰকালৈ গ’ল—বলৰামৰ সৈতে ৰাজনৈতিক পৰামৰ্শ কৰাৰ ছলেৰে কৃষ্ণই গৰুড়ৰপৰা হনুমানৰ কাণ্ড-কাৰ্যনাৰ কথা শুনিলে আৰু গৰুড়ক পুনৰ তালৈ পঠালে। গৰুড়ে তালৈ গৈ হনুমানক মাত্ৰ ক’ব লাগিব—ৰামে মাতিছে।

গৰুড়পক্ষী পুনৰ হনুমানৰ ওচৰলৈ গ’ল আৰু কৃষ্ণই শিকাই দিয়া কথাৰাৰ মাত্ৰ ক’লে: ৰামে মাতিছে।



বছ। হনুমান তৎক্ষণাৎ বিজুলী গতিৰে উৰিল আৰু দ্বাৰকালৈ গ'ল।

দৰ্পী বলৰাম এইবাৰ আগুৱাই আহিল আৰু হনুমানক কৈ থাকিল ঃ "ৰাম নহয়, মই বলৰাম। কোৱাঁ—বলদেৱায় নমঃ। মাত্ৰ তিনিবাৰ 'বলদেৱায় নমঃ' বুলি ক'লেই তোমাৰ অপৰাধ ক্ষমা কৰা হ'ব।"

হনুমানে ক'লে, "অ'—তুমি হ'লা—কি বোলেনে—বলৰাম। ভাল, বাৰু।"

বলৰামে হনুমানলৈ অস্ত্ৰ টোঁৱালে আৰু লগে লগে সেই অস্ত্ৰক হনুমানে তেওঁৰ নেজেৰে ওফৰাই পেলাই বলৰামক গবা মাৰি ধৰি শূন্যলৈ দাঙি দিয়াত ছটফট কৰি থকা বলৰাম মূঁছকঁছ গ'ল আৰু সেই মূৰ্ছাকালতে বলৰামে এই সপোন দেখি থাকিল :

শ্ৰীৰামচন্দ্ৰৰ ৰাজ্যাভিষেক সমাপ্ত হোৱাৰ মুহূৰ্ত্ততে লক্ষ্মণে হাঁহিলে। তাত উপস্থিত থকা প্ৰত্যেকেই ভাবিলে যে লক্ষ্মণে তেওঁৰ পিনে চাইহে হাঁহিছে। সকলোটিয়েই লজ্জিত বোধ কৰিলে আৰু তলমূৰ হ'ল। তেতিয়া—লক্ষ্মণৰ এবম্বিধ কাৰ্য্যৰ ফলত ক্ৰুদ্ধ ৰামচন্দ্ৰই খাপৰপৰা তৰোৱাল উলিয়ালে। হনুমানে ৰামচন্দ্ৰক বাধা দিলে আৰু লক্ষ্মণক তেওঁৰ এই হাঁহিৰ কাৰণ সুধিলে আৰু লক্ষ্মণৰপৰা হাঁহিৰ কাৰণ জানি লৈ তাত উপস্থিত সকলোটিক বিবৰিলে :

বনবাসৰ কালত লক্ষ্মণে ৰাম-সীতাক দিবা-ৰাত্ৰি পৰ দিবলগীয়া হৈছিল। তেতিয়া লক্ষ্মণে নিদ্ৰাদেৱীৰ ওচৰলৈ প্ৰাৰ্থনা জনাইছিল তেওঁৰ চকুৰপৰা নিদ্ৰা হৰণ কৰিবলৈ। লক্ষ্মণে নিদ্ৰাদেৱীক ৰামচন্দ্ৰৰ ৰাজ্যাভিষেকৰ অন্তত পুনৰ তেওঁৰ চক্ষুত অধিষ্ঠিত হ'বলৈ অনুৰোধ জ্ঞাপন কৰিছিল, আৰু সেইহে নিদ্ৰাদেৱী এতিয়া আহিল—সেই তাহানিৰ চুক্তি-মতে। নিদ্ৰাদেৱীৰ সেই কথাতহে হেনো লক্ষ্মণৰ হাঁহি উঠিছিল।

ৰামচন্দ্ৰই দণ্ডায়মান হৈ অনুজ লক্ষ্মণক আঁকোৱালি ল'লে আৰু উচ্চ কণ্ঠে ৰে ক'লে, "ভ্ৰাতৃ মোৰ! অহা জনমত মই তোমাৰ ভায়েক হৈ জনমো যেন ঋণ পৰিশোধৰ বাবে।"

এইখিনিতে বলৰামে সপোনৰপৰা সাৰ পালে আৰু এইবাৰ বলৰামে বুজি পালে যে—তেওঁৱেই হ'ল সেই সুদূৰ অতীতৰ লক্ষ্মণ! এই জনমত তেওঁ বলৰাম ৰূপে জনমিলে।

তেতিয়া বলৰামে হনুমানক ক'লে, "সঞ্জীৱ! সেই সুদূৰ অতীত তুমিয়েই মোক সঞ্জীৱনীৰে পুনৰ্জীৱিত কৰিছিলা, আৰু আজিও তুমিয়েই মোক মুষ্ট্যাঘাতেৰে মূৰ্ছিত কৰি দিলা আত্মজ্ঞান।—কিন্তু তুমি তোমাৰ শ্ৰীৰামচন্দ্ৰক দৰ্শন নকৰিবানে?"

এই বুলি কৈ, বলৰামে হনুমানক কৃষ্ণৰ ওচৰলৈ লৈ গ'ল।

কৃষ্ণই হনুমানক দেখিয়েই হাত মুষ্টিবদ্ধ কৰি ক'লে, "কোনহে তুমি আমাৰ অগ্ৰজ বলৰামৰ আজ্ঞা নামানিবা?"

কৃষ্ণই মুষ্টিযুদ্ধৰ বাবে হনুমানলৈ আহ্বান জনালে।

দুয়োৰো মাজত মুষ্টিযুদ্ধ আৰম্ভ হ'ল। বহু সময় ধৰি মুষ্টিযুদ্ধ চলি থাকিল। হনুমানে তেওঁৰ সৰ্বশক্তি প্ৰয়োগ কৰিব-লগীয়া হ'ল আৰু 'অতঃপৰ কৃষ্ণক এক প্ৰচণ্ড মুষ্ট্যাঘাতেৰে ভূমিলৈ বগৰাই

পেলালে। তৎক্ষণাৎ বাগৰি পৰাৰ্পৰা বিজুলী সঞ্চাৰে উঠি থিয় হৈ কৃষ্ণই সিংহ-বিক্ৰমৰে হনুমানৰ ওচৰলৈ জঁপিয়াই পৰিলে আৰু হনুমানৰ বক্ষস্থল মুষ্ট্যা-ঘাতেৰে থকা-সৰকা কৰি পেলালে। আৰু—এই সময়ত হনুমানৰ দেহত কৃষ্ণৰ পাদস্পৰ্শ হ'ল।

এইবাৰ—পা দ স্প র্শ ৰ লগে লগে হনুমানে উপলব্ধি কৰিলে: স্বয়ং শ্ৰীৰামচন্দ্ৰয়েই হ'ল কৃষ্ণ-অৱতাৰ। এই ৰামচন্দ্ৰয়েই সীতামাতৃক তেওঁৰ পাতিব্ৰত্য প্ৰমাণৰ বাবে অগ্নিকুণ্ডলৈ সুমুৱাইছিল। সীতামাতৃয়ে কিমান যে যাতনা ভুঞ্জিছিল! হঠাৎ হনুমান ৰামচন্দ্ৰৰ ওপৰত ভয়ানক ক্ৰোধিত হৈ উঠিল আৰু ৰামচন্দ্ৰক যুদ্ধ কৰাৰ বাবে আহ্বান জনাই থাকিল।

ৰা ম চ ন্দ্ৰ ই মিঠাকৈ হাঁহি মাৰি হনুমানক ক'লে, "হনুমান, মোৰ বিৰুদ্ধে যুদ্ধ কৰাত তোমাৰ আসক্তি হৈছেই যেতিয়া—তোমাৰ সেই আসক্তি মই নিশ্চয় জোখে-জোখাৰে পুৰাম।"

হনুমানে হাত যোৰ কৰি নমস্কাৰান্তে ক'লে, "হে প্ৰভু ৰামচন্দ্ৰক! মোক—কৃষ্ণৰূপে নহয়, শ্ৰীৰামচন্দ্ৰ ৰূপে দৰ্শন দান কৰি ধন্য কৰক, কৃতাৰ্থ কৰক!"

"হনুমান! ক্ষণকাল অপেক্ষা কৰা। লক্ষ্মণ ইয়াতেই আছে, সীতাও এহিক্ষণেই ইয়ালৈ আহিব।"

এই বুলি কৈ, কৃষ্ণই স ত্য ভা মা ক ইয়ালৈ আহিবলৈ সম্বাদ প্ৰেৰণ কৰিলে।

ত্বৰন্তভাবে সাজ-কাচ কৰি কৃষ্ণ-পত্নী সত্যভামা তৎক্ষণাৎ তালৈ আহিল। সত্যভামাৰ গাত বিধোবিধ অলংকাৰ, কেশদামত পাৰিজাত পুষ্পৰ সমদল। অভাৰিত বেশ-ভুষাৰে সুসজ্জিত হৈ কৃষ্ণ-গৰৱিনী সত্যভামাই কৃষ্ণৰ পাৰ্শ্বদেশত থিয় হৈ থাকিল। সত্যভামাৰ মনোভাব: মই বিনে কৃষ্ণৰ আচল পত্নী কোনো নাই। সকলোফালৰেপৰাই মইহে কৃষ্ণৰ যোগ্য,



আনবোৰ কৃষ্ণৰ পক্ষে অযোগ্য।

হনুমানে সত্যভামাক ক'লে, "তুমি বাৰু—চন্দ্ৰসেনা নহয়নে? মনত পৰিছেনে—তাহানিতে ৰামচন্দ্ৰই তোমাক কথা দিছিল যে—কৃষ্ণাৱতাৰৰ কালত তুমি হ'বা তেওঁৰ অষ্ট-পত্নীৰ অন্যতমা। প্ৰভু ৰামচন্দ্ৰই তেওঁৰ কথা ৰক্ষা কৰিছে বুলি বোধ হৈছে। চন্দ্ৰসেনা, পৱিত্ৰা হ'লা, তোমাৰ জীৱন ধন্য হ'ল।"

হনুমানৰ কথা শুনি সত্যভামাৰো সকলো কথা মনত পৰিল। তেতিয়া সত্যভামাই কৃষ্ণ-পত্নী ৰুক্মিণীক ক'লে, "বাইদেউ, তুমিয়েই সীতা, হনুমানক তুমি আশীৰ্বাদ কৰাঁ।"

ৰুক্মিণীয়ে সীতাৰ ৰূপ ধাৰণ কৰিলে আৰু কৃষ্ণই কোদণ্ডৰামৰ ৰূপ ধাৰণ কৰি প্ৰত্যক্ষ হৈ হনুমানক অপাৰ মৰমৰ আশীৰ্বাদেৰে ধন্য কৰিলে।

ৰামনাৱতাৰৰ ৰূপৰ উপসংহাৰ কৰি কৃষ্ণই ভকতি-মগন হনুমানক সস্নেহে ক'লে, "হনুমান, তুমি হিমালয়ৰ নিম্নদেশস্থ কদলীবনলৈ যোৱা আৰু তাতেই পৰম সুখেৰে বসবাস কৰাগৈ।"

ৰুক্মিণী আৰু কৃষ্ণক প্ৰণাম কৰি হনুমান যেতিয়া প্ৰস্থানোদ্যত, তেতিয়া গৰুড়ে হাত যোৰ কৰি ক'লে, "হে বীৰ হনুমান! ক্ষীৰ সাগৰত মোৰ সন্নিধানত তুমিও থাকিবা—এই কথা মহাবিষ্ণুৱে কোৱা মোৰ মনত পৰিছে।"

গৰুড় হনুমানৰ সৈতে হিমালয়ৰ নামনিত থকা বিৰাট-বিশাল কদলী-বনলৈকে আহিল।

হনুমানে কদলীবনলৈ প্ৰৱেশ কৰিলে, আৰু গৰুড়ে 'জয় বীৰ হনুমান' বুলি উচ্চাৰি—বিষাদ মনেৰে উভতি গ'ল।

কদলীবনত বহি হনুমান পুনৰ ৰামনাম জপি থাকিল আৰু জপ কৰি কৰি এসময়ত ধ্যানমগ্ন হৈ সমাহিত হৈ পৰিল।

বক্ৰ

গাঁৱৰ নামে কুবেৰপুৰ, এই কাহিনীৰ মুখ্য চৰিত্ৰৰ নামো কুবেৰ, আৰু যেন নাম তেন মানুহ, অৰ্থাৎ কুবেৰপুৰৰ কুবেৰ কুবেৰৰ দৰেই ধনৰ সৰুসুৰা কুবেৰ। কিন্তু ধনী হ'ল কি হ'ল—কুবেৰৰ শৰীল-স্বাস্থ্য বোলা একো নাই। তাৰ যে কি হৈছে কি বেমাৰে যে কুবেৰক খুলি খাইছে, কোনেও ক'ব নোৱাৰে, বেজ-বৈদ্যয়ো ঠাৱৰ কৰিব নোৱাৰে, কুবেৰে নিজও নোৱাৰে ক'ব। বেজ-বৈদ্যহঁতৰ বক্তব্য হ'ল ঃ যিমান দৰৱ শাস্ত্ৰত আছে, দিলোঁ। আৰু দিবলগীয়া লগাবলগীয়া খুৱাবলগীয়া একো নাই।

কিন্তু সেই বুলি কুবেৰে পাটীও লোৱা নাই, বা পাটী-মূতুৰাটোও হোৱা নাই। কুবেৰে এতিয়াও দন টানি খায়-পিয়ে, কিন্তু তথাপি—যদিও যথেষ্ট শকত দিনক দিনে কাং ওলোৱাটো হৈছে বুলি তাৰ ধাৰণা হৈছে। আৰু হৈছে খিংখিঙীয়া, ডাংকোপীয়া চেলবেলীয়া খেচখেচীয়া ভেৰমেঠীয়া লাকলঙীয়া। তাৰ বেমাৰৰ লা-লক্ষণ একো নাই— তথাপি কুবেৰ চিৰৰুগীয়া! আৰু এই কথাত ঘৰখনতো সদায় সকলোক সি তামাকাঁহা দেখুৱাইছে!

যেতিয়া জনা-নজনা সকলো বেজ-বৈদ্যয়েই কুবেৰৰ ভয়ত বগুৱা লাগি ফৰিং ছিটিকা দিলে, ঠিক তেতিয়াই ক'ৰবাৰ কোন ধুবুৰীৰপৰা আহিল এজন সাধুবাবা কুবেৰপুৰলৈ, আহি—কুবেৰপুৰৰ শেষ সীমাত আশ্ৰম এখন পাতি লৈ, খলি পুতি বহি লৈ, তেওঁৰ কাম আৰম্ভ কৰিলে —গীতা-পুৰাণ-উপনিষদ আদি পাঠৰ যোগেদি—এটি-দুটিকৈ মানুহ মুনিছ গোট খুৱাবলৈ ধৰিলে।

কিন্তু লগতে এই খবৰটোও বিয়পি

ঘনশ্যাম চৌধাৰী



পৰিল যে এইজনা 'বাবা'ই কেৱল গীতা-পাঠেই নকৰে, বেমাৰ-আজাৰৰো হেনো ভাল চিকিৎসা কৰে।

গতিকে—এদিন কুবেৰে তাৰ পৰিবাৰ কামিনীক লগত লৈ পোনে পোনেই সাধুবাবাৰ আশ্ৰমলৈ গ'ল।

কুবেৰৰপৰা তাৰ দীৰ্ঘদিনৰ ৰোগ-ভোগৰ কথা শুনাৰ অন্তত কুবেৰক সাধুৱে সুধিলে, "ইয়াত তোমাৰ শতুৰু কোনোবা-কুনুবি আছেনে কি ?"

"এঃ, ক'ব লাগিছেনে আৰু ? গোটেই মখায়েই মোৰ শতুৰু। মোৰ ধন-ধান দেখিলেই বেটাহঁতৰ চকু পোৰে। ইহঁতৰেই কিছুমানে ভেলেকীৰে চালাকি কৰি মোক যমৰ আলহী কৰাৰ চেষ্টা কৰা নাই বুলিওবা কওঁ কেনেকৈ ?—কি আৰু কওঁ আপোনাক—সৌ সিদিনালৈকে কুবে-ৰপুৰত মোৰ ঘৰটোৱেই আছিল—যাক বোলে ঘৰ—বাকীবোৰৰবোৰ আছিল টোকোৰা-পঁজা। কিন্তু সম্প্ৰতি—উদক দেখি বোন্দাই ডুবিউৰাৰ দৰেই—সত্যনাথ নামৰ ক'ৰবাৰ কোনোবা এটাই বিৰাট ঘৰ সাজি মোক চেৰ পেলালে!

সি বেটা সত্যনাথৰ ঘৰত সদায় ৰং। সি সদায়েই হাঁহে। হাঁহে মানে—মোলৈ ইতিকিং, বুইছেই নহয় ?" কুবেৰে কককাই ক'লে, "মই—কিবোলেনে একেবাৰে বক্ৰ পৰাটো হৈ পৰিলোঁ।"

"তোমাৰ কোনোবা নিকটাত্মীয় তোমাৰ ঘৰলৈ অহা-যোৱা কৰেনে ?" সাধুবাবাই কুবেৰক সুধিলে।

কৰে। পিছে—তাক আত্মীয় বুলি নকৈ 'আততায়ী' বুলি কোৱাটোহে সঠিক হ'ব। তাৰ নাম শুনিলেই মোৰ সাত কিল মাৰিবৰ মন যায়। আমি কেতিয়া মৰিম—কেতিয়া আমাৰ চাউল টুটিব—সেই অততায়ী আত্মীয় বপুৰাই ভাগাৰৰ শগুণৰ দৰে চাই আছে সদায়।" কুবেৰে গৰম হৈ সাধুবাবাক ক'লে।

সাধুবাবাই কুবেৰক আৰু একো নুসুধিলে। অলপ পৰলৈ ভবা-গুণা কৰাৰ অন্তত সাধুবাবাই কুবেৰক ক'লে, "তোমালোক কিছুদিনৰ বাবে তীৰ্থলৈ ওলোৱা—সকলো ঠিক হৈ যাব।"

কুবেৰে সাধুবাবাৰ কথা মানি ল'লে আৰু এদিন কামিনীকো লগত লৈ ওলাল তীৰ্থলৈ। কালীঘাট, গয়া, কাশী, বৃন্দাবন, ৰামেশ্বৰম্ আদি তীৰ্থ ঘূৰি ঘূৰি প্ৰায় ছমাহৰ অন্তত পুনৰ ঘৰলৈ ঘূৰিল।

যোৱা ছমাহমান কুবেৰৰ শৰীল-স্বাস্থ্য ভালেই আছিল। কিন্তু ঘৰ পায়েই পুনৰ তাক বেমাৰে ধৰিলে আৰু তেতিয়া কুবেৰে পুনৰ সাধুবাবাৰ শৰণ ল'লে।

কুবেৰে সাধুবাবাক ক'লেগৈ, "বাবা, কি যে ক'ম—তীৰ্থে তীৰ্থে ঘূৰি ফুৰোঁতে কোনো বেমাৰেই উক্ দিয়া নাছিল, কিন্তু ইয়ালৈ অহাৰ লগে লগেই পুনৰ বেমাৰবোৰে মোক গৰা মাৰি ধৰিছে। বাবা, এইবাৰ আপুনি মোক এবছৰৰ দেৰাই দিয়ক।"

সাধুবাবাই কুবেৰক ক'লে, "এটা কাম কৰা। তুমি তোমাৰ পৰিবাৰক আজিয়েই বা কালিলৈ মোৰ আশ্ৰমলৈ পঠাই, দিয়া তাৰ পাছত তোমাৰ দৰব দিম।"

সাধুবাবাৰ কথামতে কুবেৰৰ পৰিবাৰ



কামিনী সাধুবাবাৰ আশ্ৰমলৈ আহিল। এইবাৰ সাধুবাবাই কুবেৰৰ বিষয়ে কামিনীক ক'লে, "চোৱা, তোমাৰ পতিৰ দেহত কোনো ৰোগ-ব্যাধি নাই, যি আছে—আছে মনত। অপৰিমিত ধনেও যে মানুহৰ সৰ্বনাশ কৰে, তাৰ দেখ দেখ উদাহৰণ হ'ল তোমাৰ পতি। অপৰিমিত ধন থকাহেতুকে সি নিজেই সকলোকে চকুচৰহা বুলি, শত্ৰু বুলি ভাবি লৈছে। সি দিনে-নিশাই এই চিন্তাতে অস্থিৰ হৈ আছে যে—সকলোটিয়েই তাৰ সৰ্বনাশ কৰিবলৈ ছেগ চাই আছে। কুবেৰৰ আচল ৰোগ হ'ল—সন্দেহ, দ্বেষ, ভীতি আৰু নিজক নিজেই শুধৰাই নল'লে এই চিন্তা ৰোগৰ নাই কোনো গতি। মনৰপৰা এইবোৰ কাল্পনিক ভীতি নুগুচিলে কুবেৰৰ মনৰ শান্তি সদায়েই অমিল বস্তু হৈ থাকিব, কোনো দৰবেই অনুমাত্ৰও গুণ নিদিব!"

"কিন্তু বাবা, এইবোৰ কথা তেওঁকে বুজাই কোৱাটো ভাল নাছিলনে?"

কামিনীৰ কথাত মিচিকীয়াই হাঁহি মাৰি সাধুবাবাই ক'লে, "নহয়, তাৰ ফল ভাল নহ'লহেঁতেন। নিজৰ দোষৰ কথা সাধাৰণভাবে কোনেও আনৰপৰা শুনিবলৈ নিবিচাৰে। সেই কাৰণে তোমাক মই মতাই অনালোঁ। তোমাৰ পতিক সুস্থ কৰি তুলিবলৈ যি কৰা তুমি কৰিবা, জগতৰ কোনো বেজ-বৈদ্যই তাক সুস্থ কৰি তুলিব নোৱাৰিব।"

"কিবা দৰব-পাতি দিবনে এতিয়া?" কামিনীয়ে সুধিলে।

"আঁ—! অঃ, দৰব। হয়, মনত পৰিছে। দৰব—মানে—তোমালোকৰ তীৰ্থযাত্ৰাৰ সময়ত যি দৰব দিছিলোঁ—সেই দৰবত আছিল কেৱল চেনি আৰু নিমখ। এতিয়া আৰু তেনেবোৰ দৰবৰ আৱশ্যকতা নাই। এতিয়া যি দৰব কুবেৰক লাগিব—সেই দৰব তুমি—

তুমিয়েই দিব পাৰিবা।" এই বুলি কৈ, সাধুবাবাই কামিনীক শিকাই দিলে কি কি কেনেকৈ কৰিব লাগিব।

তাৰ পাছত সাধুবাবাই কামিনীক পুনৰ ক'লে, "কুবেৰে যে সত্যনাথক অকাৰণ ঈৰ্ষা কৰে—সেই কথা অতি স্পষ্ট। কুবেৰে তাৰ আত্মীয়কো 'আততায়ী' বুলি যে ভাবিছে—নিজ মুখেৰেই মোক কৈছে। এইবোৰ নিৰৰ্থক সন্দেহ তাৰ মনৰপৰা গুচাব পাৰিলেই কুবেৰৰ মনৰ ৰোগ ভাল হৈ যাব। আৰু—তোমাৰ বাহিৰে—জগতৰ কোনো বেজ-বৈদ্যয়েই এই মনৰ ৰোগৰপৰা কুবেৰক মুক্ত কৰাৰ দায়িত্ব ল'ব নোৱাৰে।"

ঘৰ পাই কুবেৰৰ পৰিবাৰে কুবেৰক ক'লে, "কথা এটা সোধোনে—? গাঁৱৰ সকলোটিয়েই দেখোন সত্যনাথক ভাল মানুহ বুলি কয়। সত্যনাথ হেনো অত্যন্ত দয়াৱান মানুহ। কিন্তু—আপুনি তেওঁক সদায় গালি পাৰি থাকে কিয় যে—মই একো বুজা নাই। সত্যনাথে আপোনাৰ কিনো অনিষ্ট কৰিছে—যাৰ কাৰণে তেওঁকো শত্ৰু বুলি ভাবিছে?"

পৰিবাৰৰ প্ৰশ্নৰ উত্তৰ কুবেৰে পট্‌কৈ দিব নোৱাৰিলে। অলপ পাছত ক'লে, "তেওঁ হওঁতে—মোৰ কোনো অপকাৰ দেখদেখকৈ নাই কৰা। আমাৰ ইয়ালৈ যেতিয়া আহিল—প্ৰথমে মোৰপৰাই দিহা পৰামৰ্শও খুজিছিল। নিজৰ কথা মোক কৈছিল, কৈছিল যে—ইয়াত থাকিব আৰু নগৰত কাপোৰৰ দোকান এখন ল'ব। যেতিয়াই দেখাদেখি হয়, কয়, 'আপোনাৰ আশীৰ্বাদত বেপাৰ-বণিজ ভালেই চলিছে'। মোক কেতিয়াও সত্যনাথে কোনো ডাংকোপীয়া বা অপমানৰ কথা কোৱা নাই যে—সেইটোও সঁচা।"

ঠিক এনেকৈয়েই সৎ পৰামৰ্শেৰে কামিনীয়ে কুবেৰক ভাল কৰিছিল।

বিসম্বাদৰ ঝমক ঃ লগায় দিলত চমক

সংগীতৰ শক্তি !

সংগীতৰ শক্তি কেৱল আমোদ-প্ৰমোদতে সীমাবদ্ধ নহয়। সংগীতৰ মাধুৰ্য্যৰ ফলত গাইবোৰে অধিককৈ গাখীৰ দিয়ে যে—সেই কথা হেনো প্ৰমাণিত সত্য। এতিয়া বহু সংখ্যক অফিছত চ্যানেল মিউজিক আছে, যাৰ ফলত অফিছৰ কৰ্মীসকলে হেনো অধিক কাম কৰা হয়,—দক্ষতা বাঢ়ে।

আচ্ছা—কেতিয়াবা 'ওৱাকম্যান' কাণত লগাই পাঠ্যপুথিৰ পঠন বা গণিতৰ জটিল সমস্যাৰ সমাধান কৰাৰ চেষ্টা—চকুত পৰিছেনে? এই সাংগীতিক উপায়েৰে এনেবোৰ কাম সহজ হৈ উঠিব পাৰে।

সংগীতৰ শক্তিমত্তা এতিয়া শল্য-চিকিৎসাতো ব্যৱহৃত হৈ হৈ আহিছে। হস্পিট্যালত শল্যবিদসকলে আনকি হাৰ্ট অপাৰেশ্যনতো হেনো সংগীতৰ সহায়তা ব্যাপকভাবে গ্ৰহণ কৰা হৈছে। এই শল্য-সংগীত ৰোগী বা ৰোগিণীৰ কাৰণে নহয়, শল্যবিদৰ দক্ষতা তথা মনোযোগ বঢ়াবৰ কাৰণেহে!

কোনে ক'ব পাৰে—শীঘ্ৰেই এদিন হয়তো সংগীতক ব্যাধিগ্ৰস্তৰ চেতনা-নাশক অৰ্থাৎ anaesthetics হিচাপেও ব্যৱহাৰ কৰা হ'ব!

উড়ন-চকৰি

অজান উড়ন-চকৰি, অৰ্থাৎ UFO-ৰ বিষয়টো বহুদিনৰেপৰাই এক ৰহস্যময়তাৰ গৱেষণাৰ বিষয় হিচাপে পৰিগণিত হৈ আহিছে। আমেৰিকাৰ অন্যতম গৱেষক ৰিচাৰ্ড এল. থমছনে বহু বছৰ ধৰি উড়ন-চকৰিৰ গবেষণাত লাগি আছে। তেওঁ তেওঁৰ গৱেষণাকালত 'ৰামায়ণ' 'মহাভাৰত' আদিত উল্লেখিত 'উড়ন্ত ৰথ'ৰ কথা, আৰু তদুপৰি অন্যান্য বিধৰ অতীতৰ উৰণীয়া বস্তুৰ সন্ধান পোৱা হৈছে। ভাৰতবৰ্ষৰ 'পুৰাণ'তো তেওঁ এই বিষয়ে কিছু সা-সন্ধান লভিছে। UFO-বোৰ অৰ্থাৎ 'উড়ন-চকৰি'বোৰ কোনো আগজাননী নিদিয়াকৈয়েই হঠাৎ আবিৰ্ভূত হয়, আৰু চাওঁতে চাওঁতে নোহোৱাও হৈ যায়। গতিকে, এই ৰহস্যৰ ভূ পোৱা বা লোৱা বৰ টান। ১৯৭৬ চনত ইৰানৰ ৰাজধানী তেহৰানৰ আকাশত এক উড়ন-চকৰি দেখা পাই আমেৰিকীয় জেট প্লেন এখনে পিছ লোৱা সত্ত্বেও চকৰিৰ লগ পোৱাত বা ধৰাত সফল নহ'ল। মাত্ৰ সেই উড়ন-চকৰিৰ এটা টুকুৰা তললৈ খহি পৰিছিল। থমছনে 'ভাগৱত পুৰাণ'ত বৰ্ণিত শ্ৰীকৃষ্ণৰ 'বিমান'কো তাহানিৰ 'উড়ন-চকৰি' বুলি অভিহিত কৰিছে!

বাপুৰ গাত বাঢ়নী

আনন্দ হ'ল দুখীয়াৰ ল'ৰা। সি নিজেও দুখীয়া। দেখন-দৰ্পণেও বৰ ভাল নহয়, গুণেতো উদি, আৰু দেহতো নিশকতীয়া। দেউতাকে কিমান যে শ্ৰম কৰি তাক তুলি-তালি ডাঙৰ-দীঘল কৰিছিল! কিন্তু হ'লগৈ একেবাৰে অকাজ-ভাগী আকাশ-তেলীয়াটো! তাৰ গতি-গোত্ৰ চাই, দেউতাকে তাক যেনেকৈয়েই নহওক কামৰ চকৰিত সাঙ্‌ৰিবলৈ লগত লৈ ওলাল।

ওলাল, কিন্তু কাম নজনাক কাম দিয়ে কোনে? বহু সময় ধৰি তাক লৈ ঘূৰি ঘূৰিও যেতিয়া কামৰ দিহা-পোহা নহ'ল, তেতিয়া বাধ্যত পৰি সেই গুটীয়া-ভকত গাঁওবুঢ়াৰ ওচৰলৈ তাক লৈ গ'ল।

গাঁওবুঢ়াৰ ওচৰত কাম কৰাৰ নাম শুনিলেও কিমানে যে গাঁওএৰি ফেঁটীৰ মূৰ ছিঙা লৰ দিয়ে! কিমানক যে থালীভগা জুয়ে খেদে! — কিন্তু সেই গাঁওবুঢ়াৰ হাঁততে আনন্দৰ দেউতাকে তাক সঁপিবলগীয়া হ'ল!

দেউতাকৰ সিদ্ধান্তত আনন্দই 'না' কৰিব নোৱাৰিলে। গাঁওবুঢ়াৰ ঘৰত আৰু পথাৰতো কামত লাগিল। আৰু— এইদৰে একে একে তিনিটা বছৰ গ'ল।

তিনি বছৰৰ অন্তত আনন্দই কামৰ-পৰা ৰেহাই বিচৰাত গাঁওবুঢ়ায়ো 'নহয়' বুলি নক'লে। পাছদিনা গাঁওবুঢ়াই আনন্দৰ হাতত তিনটা মুদ্ৰা দিলে আৰু ক'লে, "হেঁা, এয়া লোৱা তোমাৰ হিচাপ —তিনি বছৰত তিনি মুদ্ৰা। যদিও তোমাৰ দেউতাৰাৰ লগত দৰমহাৰ কোনো চুক্তি

‘পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী’



হোৱা নাছিল, তথাপি, মোৰ দয়াৰ শৰীল, দিলোঁ, নিদিলে নিজেই দুখ পাম।"

যোৱা তিনি বছৰে গাঁওবুঢ়াই তাক এটা চোলাও দিয়া নাছিল, আজি, এই তিনি-বছৰৰ পাছতো সিখিনিয়েই তাৰ পিন্ধনত আছে। ছিঙা ফটা উৰালি যোৱা জহি-খহি পৰা চুৰিয়া চোলালৈ চাই আনন্দই গাঁওবুঢ়াক ক'লে, "এইখিনি পিন্ধিয়েই যাওঁনে ঘৰলৈ ?"

"তোমাৰ দেউতাৰাৰ লগত তোমক কাপোৰ-কাজি দিয়াৰ তো কোনো চুক্তি নাছিল। যিকেইটি মুদ্ৰা দিলোঁ—দয়া কৰি দিলোঁ। এতিয়া খোজ লোৱা।"

যাওঁতে পাহৰ পাৰ হৈ যাব লাগে। সি পাহাৰৰ মাজেদি গৈ থাকোঁতে। পাহাৰৰ কেঁকুৰি এটাত মস্ত ওখ ভিখাৰী এজনক বৈ থকা দেখি আনন্দৰ ভয় লাগিল, ভিখাৰীজনে আনন্দক ক'লে, কোনো ভয় নকৰিবা, মাত্ৰ মোক এটা মুদ্ৰা দিয়া, আৰু গুচি যোৱা।"

ভিখাৰীটোৰ কথা মতে এটা মুদ্ৰা তাক দি আনন্দ পুনৰ আগ বাঢ়িল।

গৈ গৈ আন এটা কেঁকুৰি পালে সি আৰু তাতো প্ৰথমটোতকৈয়ো আৰু ওখ এটা ভিখাৰীক দেখা পালে আৰু তাকো বাধ্যত পৰি এটা মুদ্ৰা দিবলগীয়া হ'ল।

তাৰ পাছত আনন্দ বেগাই গৈ থাকল। এই পাহাৰৰ ক'ত কি বিপদে জোপ লৈ আছে—কেনেকৈ ক'ব সি ? গতিকে—সি প্ৰায় দৌৰি দৌৰি গৈ থাকিল। কিন্তু এইবাৰো আন এটা কেঁকুৰিত মস্ত ওখ লিহলিহীয়া ভিখাৰী এটাক দেখা পাই আনন্দৰ যেনিবা আলি-আন্ধাৰি লাগিল।

আৰু—এই লিহলিহীয়া ভিখাৰীটোকো তাৰ সৰ্বশেষ মুদ্ৰাটো দিবলগাত পৰিল। অৱশ্যে—ভিখাৰীটোৰ দুৰ্দশা দেখি আনন্দৰ মন মৰমতে পমিছিল বুলিও দিছিল।

মুদ্ৰাটো তাৰ জোলোঙাত ভৰাই থৈ

সেই ভিখাৰী টোৱে আনন্দক ক'লে, "শুনা, তুমি তোমাৰ তিনিওটা মুদ্ৰা আমাক একে একে দিলা। এতিয়া— তুমিও একে একে তিনিটা বৰ খুজি লোৱা। আমি এজনো ভিখাৰী নহওঁ, ভিখাৰী-বেশত দেৱতা।"

"প্ৰথমেই—যাকে-তাকে নচুৱাব পৰা বেণু অৰ্থাৎ বাঁহী এটা লাগে। কৃষ্ণই যেনেকৈ বাঁহী বজাই গোপীসকলক নচুৱাইছিল, তেনেকৈ, তেনেকুৱা বাঁহী এটি মোকো লাগে।"

ভিখাৰীৰূপী দেৱতাই ক'লে ঠিক আছে. "দ্বিতীয় বৰ খোজা।"

"এটা ছিটিক। যেই-সেই বস্তুলৈ সঠিক লক্ষ্যভেদ কৰিব পৰা ছিটিক এটা লাগে। যিমানেই দূৰৰ বস্তু নহওক, অৰ্জুনৰ দৰে লক্ষ্যভেদ হ'ব লাগিব।"

"আৰু—তৃতীয়টো?"

"মই যাৰপৰা যি খুজিম, তৎক্ষণাৎ পাব লাগিব। এতিয়ালৈকে—মই আনক কেৱল দিছোঁ, লোৱা নাই কিছু।" আনন্দই খাৰাংখাচ দেৱতাক কৈ দিলে।

"ঠিক আছে, তোমাৰ তিনিওটা ইচ্ছা পূৰ্ণ হ'ব।" এই বুলি কৈয়েই ভিখাৰীৰূপী দেৱতা অদৃশ্য হ'ল, আৰু অবাক হৈ পৰা আনন্দ টোপনি গ'ল। যেতিয়া সি সাৰ পালে বাঁহী আৰু ছিটিক দুটা পাই, পাহাৰ পাৰ হৈ গ'ল।



চহৰলৈ গৈ প্ৰথমেই সি বাছকবনীয়া কাপোৰ-কানি কিনিলে আৰু তাৰ পাছত এটা ঘোঁৰা। আৰু তাৰ পাছত—ঘোঁৰাৰ পিঠিত উঠি সি ৰওণা হ'ল তাৰ গাঁৱলৈ।

বাটত গাঁওবুঢ়াক পাই আনন্দই চাবেৰে গৈ থকা ঘোঁৰাটোক ৰখালে আৰু গাঁওবুঢ়াক ক'লে, "মালিক, নমস্কাৰ!"

আনন্দক ঘোঁৰাৰ পিঠিত দেখি অবাক হৈ পৰা গাঁওবুঢ়াই কৈ উঠিল, "তুমি!"

"ওঁ, মই। সকলো ভাগ্যৰ খেলা।"

আনন্দৰ সাঁথৰ সাঁথৰ কথা শুনি পাথৰ হৈ পৰা গাঁওবুঢ়াই কৈ উঠিল, "আহিলি ঘোঁৰাত উঠি—হাতত তোৰ বাঁহী, আছিলি দেখোন ফোঁপ-চুঙাটো—হ'লিনে ফোঁপ-ষহী?—তোৰ মতলব কি ক'চোন?"

"মতলব বিশেষ নাই। পিছে—এই ছিটিকৰ কিমান গুণ--দেখিলেই কোনোবা বুঢ়াৰ ছিটিকিব ধূন। এইটো ছিটিকেৰে অৰ্জুনৰ দৰেই লক্ষ্যভেদ কৰিম্‌ পাৰিম।"

"ধে—ৎ!" গাঁওবুঢ়াই কৈ উঠিল। "সৌ যে দূৰত জোপৰ মূধত শালিকী চৰাইটো বহি আছে, তাক মাৰোঁনে?"

"পাৰ যদি—মই তোক মোৰ বোলা সকলো দিম।" গাঁওবুঢ়াই বাজী মাৰিলে।

গাঁওবুঢ়াই মান্তি হোৱাত আনন্দই চৰাইটোক ছিটিকেৰে মাৰিলে, চৰাইটো পৰিলগৈ কাঁইটীয়া জোপোহাত। গাঁওবুঢ়াই যেতিয়া চুক্তিমতে মৰা চৰাইটোক লৈ আহিবলৈ কাঁইটীয়া জোপোহাত সোমাল, তেতিয়া আনন্দই বাঁহী বজাই দিলে আৰু গাঁওবুঢ়াই সেই কাঁইটীয়া জোপেহাত নাচি থাকিল। নাচি নাচি গাঁওবুঢ়াৰ কাপোৰ-কানি ছিঙি-ফাটি গ'ল।

তেতিয়া আনন্দই ক'লে "হেৰি গাঁৱৰ বুঢ়া গাঁওবুঢ়া—তুমি কিন্তু মোক এদিন এনেকৈয়েই খেদিছিলা। গ তি কে—এতিয়া হায়-হাহাকাৰ নকৰা। জানি থোৱা ইয়াৰে নাম—বাপুৰ গাত বাঢ়নী।"

বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য

উৰণ-ঘুমটি!

চৰাইবোৰে সিহঁতৰ ডেউকা কোবাই উৰি ফুৰে। যেইকোনো চৰায়েই ডেউকা ধপ ধপাই উৰে। মাত্ৰ এবিধ চৰায়ে ডেউকা নধপধপোৱাকৈও উৰিব পাৰে। এই চৰাইৰোৰ নাম হ'ল অ্যালবাট্ৰাছ। এই বিৰল প্ৰজাতিৰ চৰাই হ'ল আফ্ৰিকীয়। এঘণ্টা দুঘণ্টা বা এদিন দুদিন নহয়, একেৰাহে ছদিন ধৰি এনেকৈ একেৰাহে উৰিব পাৰে। আৰু এই উৰণতেই টোপনিও মাৰিব পাৰে!



মৰুভূমীয়া মচৰ-মচকুটি

মৰুভূমিৰ মাজেদি যাওঁতে বালিৰ বিচিত্ৰ দাগ তথা আকৃতি আৰু বালিৰ পৰিধি যেনেকৈ দেখা যায়, পাছদিনা সেই একেই বাটেদি গ'লেও আচৰিত হৈ ভাবিব লাগিব ঃ বালিৰ সেই পৰিধি আৰু দাগবোৰ ক'লৈ গ'ল কি হ'ল? সেইবোৰৰ ঠাইত সম্পূৰ্ণ নতুন দাগ বা পৰিধিৰ সৃষ্টি হ'ল। কেনেকৈ হয় এই ঘটনা? কিহৰ কাৰণে হয়? মৰুভূমিত সৰ্বক্ষণ প্ৰবাহিত বায়ুৱেই এই কাণ্ড কৰে। আনকি মৰুভূমিত দহ মিনিট চকু মুদি থাকিলেও পাছত চকু মেলি দহ মিনিটৰ আগৰ সেই ঠাইডোখৰ আৰু বিচাৰি নাপাবও পাৰে।

ফুল-ঘুমটি

ফুলেও ঘুমটি মাৰেনে? শুনাত অসম্ভৱ যেন লাগিলেও—সঁচা। মাৰে। টোপনি। ফুলবোৰ বৰ স্পৰ্শকাতৰ। বিভিন্ন তাপমাত্ৰাত আৰু আলোকত ফুলৰ ফুল-ঘুমটিবো হেৰফেৰ হয়। ৰাতিৰ পৰতে বতৰ হয় ঠাণ্ডা, আৰু এন্ধাৰ, ফুলবোৰে সিহঁতৰ পাহিবোৰ জপাই দিয়ে। যেনিবা—শুইছেহে! ফুলৰ এনেকুৱা আচৰণৰ হেতু নিশ্চয়কৈ জনা নাযায়। কিছুমান ফুলে অত্যাধিক গৰমতো পাহিবোৰ জপাই দিয়ে তাপৰপৰা ৰক্ষা পৰিবলৈ। প্ৰকৃতিৰ সকলো সৃষ্টিৰেই অল্পাধিক বোধশক্তি আছে।

Say "Hello" to text books and friends
'Cause School days are here again
Have a great year and all the best
From Wobbit, Coon and the rest!


SUPER
RUBBER
It's time to go back to school again. Time for text books. Time for games. Time to meet old friends. And make new ones. Time to start studying again. Because there's so much to learn about the world around you.
From all of us here at Chandamama, have a great year in school. And remember to tell us what you've learnt everyday, when you come home from school !
THE
HANDAMAMA
OLLECTION
ARTIG1246

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৪ চনৰ জুলাই সংখ্যাত প্ৰকাশিত হ'ব।

M. Lakshmi

M. Lakshmi

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯৪ চনৰ মে মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)

CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৪ চনৰ মাৰ্চ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : নাই শেষ মৰমৰ দ্বিতীয় ফটো : নাই লগ-সংগৰ

সোণউজ্জ্বল শৰ্মা, সানেকুছি, নলবাৰী-৭৮১ ৩৫০, অসম।

[পুৰস্কাৰৰ ১০০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

ভাৰতত বছৰেকীয়া বৰঙনি **চান্দমামা** ৪৮.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক ঃ
অসমীয়া, হিন্দী· গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আঁৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 105.00 ● উৰাজাহাজ-যোগে 252.00

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 111.00 ● উৰাজাহাজ-যোগে 252.00

আপোনাৰ বৰঙণি বেংক ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক ঃ
ছাৰ্কুলেশ্যন মেনেজাৰ চান্দমামা পাবলিকেশ্যনছ চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

CHANDAMAMA (Assamese) May 1994 Regd. No. TN / MS (S) / 87